


গুৱাহাটী আৰু নগাঁৰৰপৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ১৪ নৱেম্বৰ ২০২৫/২৭ কাতি ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ৩০ ● Vol - 14, Issue - 30

## অসমৰ মহিলা সমাজক সন্মানেৰে আগুৱাই লৈ যোৱাৰ বাবে আমি পদক্ষেপ গ্ৰহণ কৰি যাম ঃ মুখ্যমন্ত্ৰী

### গোলকগঞ্জ বিধানসভা সমষ্টিৰ সৰ্বমুঠ ২৩,৩৩৬ গৰাকী মহিলালৈ উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ





**দিছপুৰ ঃ** ৰাজ্যৰ মহিলা সমাজক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তোলাৰ সুদূৰপ্ৰসাৰী পদক্ষেপ অব্যাহত ৰাখি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ধুবুৰী জিলাৰ গোলকগঞ্জ সমষ্টিৰ ২৩,৩৩৬ গৰাকী হিতাধিকাৰীলৈ উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে। ইয়াৰে ২০,৯১৩ গৰাকী হৈছে গ্ৰামাঞ্চলৰ আৰু ২,৪২৩ গৰাকী হৈছে নগৰাঞ্চলৰ মহিলা হিতাধিকাৰী। এই উপলক্ষে হালাকুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত বিশাল জনসভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ জৰিয়তে অসমৰ ৪০ লাখ মহিলাক পৰ্যায়ক্ৰমে আগুৱাই লৈ গৈ তেখেতসকলক একোগৰাকীকৈ সফল উদ্যমী মহিলা হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেওঁ কয় যে গোলকগঞ্জ সমষ্টিৰ যিসকল মহিলাই এই আঁচনিৰ বাবে এতিয়াও আবেদন কৰিব পৰা নাই নতুবা এই আঁচনিখনৰ পৰা বাদ পৰি ৰৈছে তেওঁলোককো এই আঁচনিৰ অধীনলৈ অনাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা গ্ৰহণ কৰিব। তেওঁ কয় যে ৰাজ্যত ৪০ লাখ মহিলা আত্মসহায়ক গোটৰ সদস্যা আছে আৰু ৰাজ্যখনত ইতিমধ্যে প্ৰায় ৭-৮ লাখ মহিলা ‘লাখপতি বাইদেউ’ হিচাপে পৰিগণিত হৈছে। আত্মসহায়ক গোটসমূহৰ সৈতে জড়িত হৈ নিজৰ পৰিয়ালৰ লগতে সামগ্ৰিকভাৱে ৰাজ্যখনৰ অৰ্থনীতিলৈ মহিলা সমাজে কিদৰে বৰঙণি আগবঢ়াইছে সেই দিশতো সভাত মুখ্যমন্ত্ৰীয়ে উদাহৰণ দাঙি ধৰে। গোলকগঞ্জ সমষ্টিৰ লাখপতি বাইদেউৰ সফলতাৰ কাহিনী উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সমষ্টিটোৰ নাৰী প্ৰগতি চিএলএফ আৰু মিলনজ্যোতি গ্ৰাম্য সংগঠনৰ অধীনৰ জিভিচি লোহিত আত্মসহায়ক গোটৰ সদস্যা মিনু ৰায়ে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত বিভিন্ন কাম সক্ৰিয়তাৰে কৰি আহিছে। ২০০৪ চনত আত্মসহায়ক গোটৰ সদস্যা হোৱা মিনু ৰায়ে পেপাৰ প্লেট প্ৰস্তুতৰ এটা উদ্যোগ আৰম্ভ কৰে। আজি তেওঁ পেপাৰ প্লেট, বাতি, গিলাচ আদি উৎপাদন আৰু বিক্ৰীৰ জৰিয়তে মাহে ১৫ হাজাৰ টকাকৈ বছৰি ১লাখ ৮০ হাজাৰ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। তেনেদৰে, ধুবুৰী জিলাৰে গোলকগঞ্জ ১০ পৃষ্ঠাত

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দ্বাৰা ৰাজসাহায্যযুক্ত অত্যাৱশ্যকীয় সামগ্ৰী যোগান আঁচনিৰ শুভাৰম্ভ

### মৰিগাঁৱত আঁচনিৰ শুভাৰম্ভ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ



**মৰিগাঁও ঃ** শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক কেন্দ্ৰীয় অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত অসম চৰকাৰৰ এক গুৰুত্বপূৰ্ণ আঁচনি শুভাৰম্ভ কৰে। অসম চৰকাৰে ৰাজ্যৰ সকলো শ্ৰেণীৰ লোকৰ খাদ্য সুৰক্ষাৰ দ্বাৰা পৰিপুষ্টি নিশ্চিতকৰণৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিৰ লক্ষ্য হৈছে ৰাজ্যৰ যোগ্য পৰিয়ালসমূহলৈ অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী সুলভ মূল্যত যোগান ধৰা। ইয়াৰ অধীনত যোগ্য হিতাধিকাৰীয়ে এক কিলোকৈ মচুৰ দাইল (৬৯ টকা), চেনি (৩৮ টকা) আৰু নিমখ (১০ টকা) মাত্ৰ ১১৭ টকাতে লাভ কৰিব যি হৈছে বজাৰ মূল্যতকৈ যথেষ্ট কম। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত বৰ্তমান ৰাজ্যখনত থকা প্ৰায় ৭০ লাখ পৰিয়ালে এই বিশেষ আঁচনিৰ সুবিধা লাভ কৰিব আৰু প্ৰায় ২.৪৫ কোটি হিতাধিকাৰী উপকৃত হ’ব। এই কেন্দ্ৰীয় অনুষ্ঠানৰ সৈতে সংগতি ৰাখি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই মৰিগাঁও জিলাৰ জাগীৰোডৰ শিলচাঙত অনুষ্ঠিত এক কাৰ্যসূচীত অংশগ্ৰহণ কৰি জিলা পৰ্যায়ত আঁচনিখনৰ শুভাৰম্ভ কৰে। মন্ত্ৰী হাজৰিকাই তেওঁৰ ভাষণত ১০ পৃষ্ঠাত

## ৰেচন কাৰ্ড থকা পৰিয়াললৈ ৰাজসাহায্যযুক্ত মচুৰ দাইল, চেনি আৰু নিমখ যোগান আঁচনিৰ শুভাৰম্ভণি মুখ্যমন্ত্ৰীৰ

### যিখন সমাজত দৰিদ্ৰ আৰু মধ্যবিত্ত লোক আনন্দত থাকে সেইখনেই আদৰ্শ সমাজ ঃ ড° শৰ্মা



**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়াললৈ ৰাজসাহায্যযুক্ত মচুৰ দাইল, চেনি আৰু নিমখ যোগান আঁচনিৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। ৰাজ্যৰ প্ৰায় ৩৩ হেজাৰ সুলভ মূল্যৰ দোকানতো আজি মন্ত্ৰী, বিধায়ক বা স্থানীয় বিশিষ্ট ব্যক্তিৰ উপস্থিতিত হিতাধিকাৰীসকলৰ অংশগ্ৰহণেৰে এই উপলক্ষে একোখনকৈ সভা অনুষ্ঠিত হয়। এই সভাসমূহত গুৱাহাটীৰ কেন্দ্ৰীয় অনুষ্ঠানটো পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হয়। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত বৰ্তমান ৰাজ্যখনত থকা প্ৰায় ৭০ লাখ পৰিয়ালে এই আঁচনিৰ সুবিধা লাভ কৰিব। ইয়াৰ জৰিয়তে প্ৰায় ২ কোটি ৪৫ লাখ হিতাধিকাৰী উপকৃত হ’ব। এই আঁচনিৰ জৰিয়তে প্ৰতিমাহে প্ৰতিখন ৰেচন কাৰ্ডৰ বিপৰীতে ৬৯ টকাত এক কিলোগ্ৰাম মচুৰ দাইল, ৩৮ টকাত এক কিলোগ্ৰাম চেনি আৰু ১০ টকাত এক কিলোগ্ৰাম নিমখ দিয়া হ’ব। অৰ্থাৎ ১১৭ টকাত এটা পৰিয়ালে এই তিনিওবিধ সামগ্ৰী এক কিলোগ্ৰামকৈ ক্ৰয় কৰিব পাৰিব। অৱশ্যে এই মূল্য কেৱল নৱেম্বৰ আৰু ডিচেম্বৰ মাহৰ বাবেহে প্ৰযোজ্য হ’ব। ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ২০২৬ চনৰ জানুৱাৰী মাহৰ পৰা এক কিলোগ্ৰাম মচুৰ দাইল ৬০ টকাত, এক কিলোগ্ৰাম চেনি ৩০ টকাত আৰু এক কিলোগ্ৰাম নিমখ ১০ টকাত প্ৰতিটো পৰিয়ালে লাভ কৰিব। অৰ্থাৎ জানুৱাৰী মাহৰ পৰা ১০০ টকাতে তিনিওবিধ সামগ্ৰী ৰাইজে লাভ কৰিব। তিনিওবিধ সামগ্ৰী বিশেষভাৱে তৈয়াৰী ১ কিলোগ্ৰাম আকাৰৰ পেকেটত উপলব্ধ হ’ব। বিনামূলীয়া চাউলৰ দৰে দাইল, চেনি আৰু নিমখো প্ৰতি মাহৰ ‘অন্ন সেৱা দিন’ অৰ্থাৎ ১ ৰ পৰা ১০ তাৰিখৰ ভিতৰত e-PoS মেচিনৰ জৰিয়তে হিতাধীকাৰীসকলে সুলভ মূল্যৰ দোকানীৰ পৰা ক্ৰয় কৰিব পাৰিব। কিন্তু নৱেম্বৰ মাহত আজিৰ পৰা অৰ্থাৎ ১০ নৱেম্বৰৰ পৰা এই সামগ্ৰীসমূহ সুলভ মূল্যৰ দোকানত উপলব্ধ হ’ব। ৰেচন কাৰ্ডৰ গৰাকীয়ে ইচ্ছা কৰিলে এবিধ বা দুবিধ সামগ্ৰীও ক্ৰয় কৰিব পাৰিব। তিনিওবিধ সামগ্ৰীৰ প্ৰতিটোৰে বাবে হিতাধিকাৰীসকলে পৃথকে বায়’মেট্ৰিক প্ৰমাণীকৰণ কৰিব লাগিব। অনুষ্ঠানত ১০ পৃষ্ঠাত

# ধেমাজী আঞ্চলিক ৰাস উৎসৱৰ ৰূপালী জয়ন্তী বৰ্ষৰ সফল সামৰণি

## আগন্তুক বৰ্ষত বিঁউটি বাইলুঙৰ কংসালয়

**লক্ষ্যজ্যোতি বৰা ঃ** ২০০০ চনতে ধেমাজী কলংপৰীয়া সমন্বয় ক্ষেত্ৰত আৰম্ভ হোৱা ধেমাজী আঞ্চলিক ৰাস মহোৎসৱৰ ৰূপালী জয়ন্তী বৰ্ষ যোৱা ৪ নৱেম্বৰৰ পৰা ৬ নৱেম্বৰলৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। চাৰি নৱেম্বৰৰ পুৱাবেলা পূৰ ধেমাজী নামঘৰৰ পৰা ভাগৱত আনয়ন কাৰ্যসূচীৰ সমান্তৰালকৈ বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। তাৰপাছতেই ধেমাজী কলংপৰীয়া সমন্বয় ক্ষেত্ৰত স্মৃতি তৰ্পণ কাৰ্যসূচী পৌৰহিত্য কৰে ধেমাজী প্ৰগতিশীল উন্নয়ন সমাজৰ সভাপতি চন্দ্ৰ মোহন বৰদলৈয়ে আৰু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে যোগেশ্বৰ বৰদলৈয়ে। ইয়াৰ পাছতেই উদ্‌যাপন সমিতিৰ সভাপতি প্ৰভাত চন্দ্ৰ বৰদলৈয়ে ধৰ্মধ্বজা উত্তোলন কৰাৰ লগতে উদ্‌যাপন সমিতিৰ উপদেষ্টা পৱিত্ৰ কুমাৰ কাকতি, যোগেশ্বৰ বৰদলৈ, চন্দ্ৰমোহন বৰদলৈ, ৰবীন বৰদলৈ, প্ৰদীপ নাথ, গিৰিধৰ শইকীয়া, নগেন বৰদলৈ, গোবিন শইকীয়া, সুৰেন্দ্ৰ নাথ, মহেশ নাথ, হেম নাথ, নাৰায়ণ নাথ, ভূৱন চন্দ্ৰ নাথ, জয়কান্ত শইকীয়া প্ৰমুখ্যে অঞ্চলৰ পঁচিশগৰাকী সমাজকৰ্মীয়ে পঁচিশখন পতাকা উত্তোলন কৰে ৰূপালী জয়ন্তী উপলক্ষে। ডিম্বেশ্বৰ শইকীয়াই ভাগৱত প্ৰতিষ্ঠা কৰাৰ অন্তত দিনৰ নাম প্ৰসঙ্গ সম্পন্ন হয় আৰু সন্ধিয়ালৈ উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি মৃদুল কুমাৰ দেৱনাথে কৰা বন্তি প্ৰজ্বলনেৰে প্ৰথম দিনৰ কাৰ্যসূচীৰ সামৰণি পৰে। দ্বিতীয় দিনা দিনৰ কাৰ্যসূচীৰ অন্তত নিশা নলৈৰ চন্দ্ৰাৱলী কেলি গোপাল ৰাস পৰিচালনা সমিতিৰ পৰিচালনাত মঞ্চস্থ হ'বলগীয়া নাট কেলিগোপাল শুভ উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী তথা ডুগডুগীৰ স্বত্বাধিকাৰী উৎপল বণিয়াই। তৃতীয় দিনা অৰ্থাৎ ৬ নৱেম্বৰ তাৰিখে ধৰ্মীয় কাৰ্যসূচীৰ অন্তত উদ্‌যাপন সমিতিৰ সভাপতি প্ৰভাত চন্দ্ৰ বৰদলৈৰ সঞ্চালনাত অনুষ্ঠিত মুকলি সভাত মনোজ্ঞ আলোচক্ৰত অৰুণ ফুকন, পৱিত্ৰ কুমাৰ কাকতি, মিন্তি দত্ত শইকীয়া, সত্য দাস, দুৰ্গাচৰণ দেৱনাথ, দীপ চন্দ্ৰ কাকতি, প্ৰদীপ নাথ প্ৰমুখ্যে ব্যক্তিসকলে বক্তব্য ৰাখে আৰু উক্ত সভাতেই দক্ষিণ জাগীয়াল গাঁও পঞ্চায়তৰ সভাপতি টুটুমণি শইকীয়া লস্কৰে ধেমাজী ৰাইজৰ সহযোগত পঞ্চায়তৰ বাচকবনীয়া শিল্পীসকলক লৈ অচিৰেই এখন অংকীয়া নাট মঞ্চস্থ কৰিব বুলি উল্লেখ কৰে। বিয়লি জুবিন গাৰ্গৰ সোঁৱৰণত গীত-মাতৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে জনপ্ৰিয় কণ্ঠশিল্পী দিভিয়ান স্বৰগম, উজ্বল শইকীয়া, পৱিত্ৰ কুমাৰ কাকতি, দিতিস্মিতা কাকতি প্ৰমুখ্যে শিল্পীসকলে। নিশা পৰিৱেশন হোৱা নৰসিংহ অৱতাৰ শীৰ্ষক নাটখনিৰ শুভ উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী তথা জি এম ইলেকট্ৰনিকচ এণ্ড ফাৰ্ণিচাৰ্চ ফুলগুৰিৰ স্বত্বাধিকাৰী গৌতম ডেকাই। উল্লেখ্য যে জ্যেষ্ঠ সাংবাদিক বুলন চন্দ্ৰ নাথ, চন্দন ডেকা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত উক্ত সভাতেই অহা বছৰত অনুষ্ঠিতব্য ৰাস মহোৎসৱত জনপ্ৰিয় ধাৰাবাহিক বেহাৰবাৰী আউটপোষ্টৰ বিঁউটি বাইলুংখ্যাত চুমকি কছাৰী আৰু তেওঁৰ লক্ষীমপুৰ জিলাৰ সতীৰ্থসকলক লৈ অংকীয়া নাট কংসালয় প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব বুলি ঘোষণা কৰে গৌতম ডেকাই। উল্লেখ্য যে ধেমাজী আঞ্চলিক ৰাস মহোৎসৱ ৰূপালী জয়ন্তীৰ সমূহ কাৰ্যসূচীত ৰাইজৰ অভূতপূৰ্ব সঁহাৰিৰ বাবে সভাপতি প্ৰভাত চন্দ্ৰ বৰদলৈ আৰু সম্পাদক প্ৰাঞ্জল কুমাৰ নাথে কৃতজ্ঞতা জনাইছে।

# আজীৱন কিতাপৰ বন্ধু হৈ থাকিবলৈ শিক্ষাৰ্থীক আহ্বান




**গুৱাহাটী ঃ** ১১ নৱেম্বৰত কামৰূপ মহানগৰ জিলাৰ আজাৰাৰ ওচৰৰ পশ্চিম ৰামচাৰাণী হাইস্কুলত শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনৰ পোহৰ বিদ্যালয়ৰ উদ্যোগত এখনি মনোজ্ঞ শৈক্ষিক সভা অনুষ্ঠিত হৈ যায়। সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক অশোক কলিতাই। সভাত মুখ্য অতিথি হিচাপে ভাষণ দি বিশিষ্ট শিক্ষাবিদ পৰেশ বৈশ্যই কয় যে সামাজিক মাধ্যমৰ দ্ৰুত ব্যৱহাৰে আমাক এফালে ভাৰ্চুৱেল বন্ধুৰ মাত্ৰা বঢ়াইছে আনহাতে পাৰ্থিৱ বন্ধুৰ সংখ্যা কমাই আনিছে। তেওঁ কয় যে এই কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত কিতাপৰ সৈতে বন্ধুত্ব এৰা অনুচিত। তেওঁ শিক্ষাৰ্থীসকলক আজীৱন কিতাপৰ বন্ধু হৈ থাকিবলৈ আহ্বান জনায়। তেওঁ আৰু কয় যে সদায় চিন্তাত সমস্যাক আগস্থান দি আগবঢ়া সকলতকৈ সমাধানৰ প্ৰতি আগ্ৰহীসকলেহে সফলতা লাভ কৰিব পাৰে। আমি লোকৰ সফলতাক আধাৰ হিচাপে লৈ নিজক তুলনা কৰাটোও উচিত নহয় বুলিও তেওঁ কয়। প্ৰতিযোগিতাৰ সলনি সহযোগিতাৰে জীৱন যুজঁত আগুৱাই যাবলৈও তেওঁ শিক্ষাৰ্থীসকলক আহ্বান জনায়। তেওঁ আৰু কয় যে শিক্ষাৰ্থীসকলে দক্ষতাৰে মত-বিনিময় কৰিবলৈ নিজকে প্ৰস্তুত কৰা উচিত। তেওঁ কয় যে আনুষ্ঠানিক শিক্ষানুষ্ঠানৰ বৌদ্ধিক উত্তৰণ কেৱল প্ৰযুক্তিগত কৌশলৰ ব্যৱহাৰৰ জৰিয়তেই সম্ভৱ নহয়, সমান্তৰালভাৱে শিক্ষাৰ্থী, অভিভাৱক আৰু সমাজে ইতিবাচকভাৱে অংশীদাৰিত্ব দিব লাগিব। তেওঁ পোহৰ বিদ্যালয়ৰ তৰফৰ পৰা বিদ্যালয়খনলৈ এটি কিতাপৰ টোপোলা উপহাৰ দিয়ে। অনুষ্ঠানত ভাষণ দি বিদ্যালয়খনৰ প্ৰধান শিক্ষক অশোক কলিতাই পৰেশ বৈশ্য ফাউণ্ডেচনৰ পোহৰ বিদ্যালয়ে বিগত বহু বছৰ ধৰি অসমৰ শৈক্ষিক ক্ষেত্ৰখনত চলাই অহা বৌদ্ধিক যাত্ৰাৰ শলাগ লয়। শৈক্ষিক সভাখনত সমন্বয়ক হিচাপে সহযোগিতা কৰে শিক্ষয়িত্ৰী দুলুমণি কলিতাই। অনুষ্ঠানত শিক্ষাবিদ পৰেশ বৈশ্যক বিদ্যালয়ৰ তৰফৰ পৰা ফুলাম জাপি আৰু গামোচাৰে সম্ভাষণ জনায়। অনুষ্ঠানত শিক্ষক - শিক্ষয়িত্ৰীৰ ফালৰ পৰা ৰিংকু কলিতা, অমূল্য কলিতা, ভাশ্বতী দাস, পিংকি বেজবৰুৱা, পূৰবী দাস, নিতুমণি কলিতা আৰু বিকাশ মহন্তই ভাগ লয়।

# শিৱসাগৰ মাৰোৱাৰী সন্মিলনৰ বিনামূলীয়া তেজ পৰীক্ষা শিবিৰ সম্পন্ন



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ শাখা মাৰোৱৰী সন্মিলনৰ উদ্যোগত আৰু কে. ডি. ডায়গন'ষ্টিক চেণ্টাৰৰ সহযোগত প্ৰয়াত সমাজকৰ্মী শুভকৰণ শৰ্মাৰ স্মৃতিত যোৱা ৮ নৱেম্বৰত তেখেতৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে শিৱসাগৰত এটা বিনামূলীয়া তেজ পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, শিৱসাগৰ নগৰৰ দৌলমুখ চাৰিআলিত অৱস্থিত খেমকা মাতৃ সদনত আয়োজন কৰা এই শিবিৰত নগৰখনৰ লগতে দাঁতিকাষৰীয়া অঞ্চলৰ শতাধিক লোকৰ তেজ পৰীক্ষা কৰা হয়। এই শিবিৰত ৰাইজক বিনামূলীয়াভাৱে চুগাৰ ৰেণ্ডম, চুগাৰ ফাষ্টিং, হিমগ্লবিন, যুৰিক এচিড আদি পৰীক্ষা কৰা হয়। শিৱসাগৰৰ বিশিষ্ট ব্যৱসায়ী, লেখক, অনুবাদক শুভকৰণ শৰ্মাৰ স্মৃতিত পৰিয়ালবৰ্গই এই শিবিৰ অনুষ্ঠিত কৰিছিল। ৭৩ বছৰ বয়সত ৮ নৱেম্বৰ ২০২৪ চনত পৰলোকপ্ৰাপ্তি ঘটা প্ৰয়াত শৰ্মাই গৌৰখপুৰস্থিত গীতা প্ৰেছৰ প্ৰায় ২৮ খন ধৰ্মীয় গ্ৰন্থ অসমীয়া ভাষালৈ অনুবাদ কৰাৰ লগতে সমান্তৰালভাৱে তেওঁ ৰামায়ণ, মানৱ মাত্ৰ কল্যাণৰ বাবে, সাধক সঞ্জীৱনী, গীতাতত্ত্ব বিবেচনী, গীতা প্ৰবধনী আদিকে ধৰি আন কেইবাখনো ধৰ্মীয় গ্ৰন্থও অসমীয়া ভাষা লৈ অনুবাদ কৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিছিল ।প্ৰয়াত শৰ্মা শিৱসাগৰ মাৰোৱাৰী পঞ্চায়তৰ প্ৰাক্তন সভাপতি, শ্ৰী সুন্দৰমল মডাৰ্ন স্কুলৰ পৰিচালনা সমিতি, শিৱসাগৰ কেন্দ্ৰীয় ৰঙালী বিহু, চেম্বাৰ্চ অফ কমাৰ্চ আদিকে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল।



*যোৱা ৭, ৮, ৯ নৱেম্বৰত ৰঙিয়াত অনুষ্ঠিত হৈ যোৱা ইলোৰা বিজ্ঞান মঞ্চৰ পঞ্চম অসম ৰাজ্যিক সন্মিলনৰ এটি দৃশ্য।*
**ফটো ঃ** জয়ন্ত বৰা

# শিৱসাগৰৰ চাৰিঙৰ শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ত ৰাষ্ট্ৰ গীতৰ ১৫০ বছৰীয়া দিৱস উদ্‌যাপন

**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** ঐতিহ্যমণ্ডিত শিৱসাগৰ জিলাৰ অন্তৰ্গত চাৰিঙৰ শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ত যোৱা ৭ নৱেম্বৰ, শুকুৰবাৰে ৰাষ্ট্ৰ গীতৰ দিৱস উপলক্ষ্যে কেইবাটাও গুৰুত্বপূৰ্ণ অনুষ্ঠান অনুষ্ঠিত হয়। উল্লেখ্য যে, অসম চৰকাৰৰ নিৰ্দেশ অনুযায়ী পুৰা ভাৰতীয় দৰ্শন, সংস্কৃতিৰ সৈতে সম্পৰ্কিত ৰাষ্ট্ৰ গীত বন্দে মাতৰমৰ ১৫০ বছৰীয়া দিৱস পালন কৰা হয়। উক্ত দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা



অনুষ্ঠানটিৰ গুৰুত্ব বৰ্ণনা কৰে শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিদ্যানন্দ বৰকাকতীয়ে। লগতে মহাবিদ্যালয় পৰিয়ালৰ সকলোৰে উপস্থিতিত বন্দে মাতৰম গীতটো সমূহীয়াকৈ পৰিৱেশন কৰা হয়। তদুপৰি মহাবিদ্যালয়ৰ NSS Unitৰ বহুসংখ্যক স্বেচ্ছাসেৱকে NSSPOৰ তত্বাৱধানত শিৱসাগৰ নগৰত চৰ্দাৰ বল্লভভাই পেটেলৰ সন্মানাৰ্থে অনুষ্ঠিত অনুষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে।

# ব্ৰিটিছৰ বিৰুদ্ধে কৃষক বিদ্ৰোহ 'ফুলগুৰি ধেৱা'ৰ ১৬৪ বছৰ

■ কনক হাজৰিকা
জেষ্ঠ সাংবাদিক, নগাঁও

১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পৰৱৰ্তী সময়ত নগাঁৱৰ ফুলগুৰিত ব্ৰিটিছৰ কৰ নীতিৰ বিৰুদ্ধে কৃষক ৰাইজ গৰজি উঠিছিল। এই কৃষক বিদ্ৰোহকে 'ফুলগুৰি ধেৱা' বুলি জনাজাত। এই সন্দৰ্ভত 'ফুলগুৰি ধেৱা' গ্ৰন্থৰ আগকথাত বেনুধৰ কলিতাই উল্লেখ কৰিছে যে 'অন্যায়ৰ গৰ্ভৰ পৰাই বিপ্লৱৰ জন্ম। সেইবাবেই দেশৰ প্ৰতিটো বিপ্লৱেই জাতীয় জীৱনৰ একোগছি বন্তি স্বৰূপ। ফুলগুৰিৰ ধেৱা বা ফুলগুৰি বিদ্ৰোহো ব্ৰিটিছ চৰকাৰৰ অৱৰ্ণনীয় নিষ্পেষণ আৰু ভাৰতৰ অন্যান্য প্ৰদেশৰ দৰেই কৰ কাটলৰ হেঁচা ৰাইজে কেকোঁ-জেকোঁকৈ ব'ব নোৱাৰি সেইবোৰৰ বিৰুদ্ধে কৰা স্বতঃস্ফূৰ্ত আন্দোলন। ইংৰাজ আৰু চিপাহী বিলাকে বিদ্ৰোহক 'ধাৱা' বুলিছিল। ই অসমীয়া জিভাত ধাৱা গুছি 'ধেৱা' হ'ল। সেয়েহে ফুলগুৰিৰ বিদ্ৰোহটো 'ফুলগুৰি ধেৱা' নামেৰেহে জনাজাত হৈ পৰিল।' ইংৰাজ চৰকাৰৰ অত্যাধিক কৰ নীতিৰ বিৰুদ্ধে স্বতঃস্ফূৰ্তভাৱে প্ৰতিবাদ কৰিবলৈ সংগঠিত হোৱা কৃষকসকলক গুলীয়াই কলঙৰ পানী ৰাঙলী কৰা ১৮৬১ চনৰ ১৮ অক্টোৱৰত নগাঁও জিলাৰ ফুলগুৰিত ৫৪ জনৰো অধিক কৃষকে প্ৰাণ আহুতি দিয়া ইতিহাস প্ৰসিদ্ধ ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰথম কৃষক বিদ্ৰোহ 'ফুলগুৰি ধেৱা' চাওঁতে চাওঁতে আজি ১৬৪ বছৰত ভৰি দিলে।

ইতিহাসৰ পাট লুটিয়ালে দেখা যায় অতীতৰেপৰা বৰ্তমানলৈকে বিভিন্ন গণবিদ্ৰোহ, গণ-আন্দোলন আৰু গণ- বিপ্লৱত নগএঃ৷ ৰাইজে অংশগ্ৰহণ কৰি নিজৰ সংগ্ৰামী মনৰ পৰিচয় দি আহিছে। এই ক্ষেত্ৰত কৃষক তথা শ্ৰমজীৱি সাধাৰণ জনতাৰ ভূমিকা উল্লেখযোগ্য আছিল। শাসকীয় ইংৰাজ চৰকাৰৰ শোষণ-নিৰ্যাতন, নিষ্পেষণৰ বিৰুদ্ধে ১৮ অক্টোবৰ ১৮৬১ চনত এনে এক জংগী কৃষক বিদ্ৰোহ হৈছিল মধ্য অসমৰ নগাঁও জিলাৰ কলং নৈৰ পাৰৰ ফুলগুৰি অঞ্চলত। সেই বিদ্ৰোহ 'ফুলগুৰি ধেৱা' নামেৰে খ্যাত। ইংৰাজ চৰকাৰৰ কৰ নীতিৰ বিৰুদ্ধে উপযুক্ত নেতৃত্ব অবিহনেই জিলাখনৰ বিভিন্ন অঞ্চলৰপৰা কৃষকসকল স্বতঃস্ফূৰ্তভাৱে ওলাই আহি সংঘটিত কৰিছিল এই কৃষক বিদ্ৰোহ।

১৮৫৭ চনৰ বিদ্ৰোহৰ পিছত ব্ৰিটিছ চৰকাৰে ৰাজভৰাঁল টনকিয়াল কৰাৰ স্বাৰ্থত সমগ্ৰ অসমৰ লগতে নগাঁও জিলাতো আয় কৰ প্ৰৱৰ্তন কৰিলে। তদুপৰি কৃষকৰ মূৰত অধিক আৰ্থিক হেঁচা দিয়াৰ বাবে ব্ৰিটিছ চৰকাৰে আদালতৰ নিৰ্দেশ অমান্য কৰি ৰাজ্যখনৰ আন জিলাৰ লগতে নগাঁৱতো 'ষ্টাম্প ডিউটি' প্ৰৱৰ্তন কৰিছিল। কামৰূপ, দৰং আৰু নগাঁও সদৰত আবকাৰী কৰ প্ৰৱৰ্তন কৰে। আবকাৰী কৰৰ পৰা জনজাতীয় এলেকা বাদ দিয়া হৈছিল। ইপিনে বিল, নদী আদিত মাছ মাৰিবলৈ নিৰ্দিষ্ট মহল সৃষ্টি কৰি জলকৰ লোৱাৰ ব্যৱস্থা কৰিছিল। কঠৰ ওপৰত গড়মাটি কৰ, ইকৰা খাগৰিৰ ওপৰত বনকৰ আৰু চৰণীয়া পথাৰৰ বাবে খুচাৰীকৰ নিৰ্ধাৰণ কৰিছিল। এনেদৰে ব্ৰিটিছ চৰকাৰে বিভিন্ন কৰ-কাটলৰে কৃষকৰ জীৱন দুৰ্বিসহ কৰি তোলাৰ ফলত সেই সময়ৰ নগাঁৱৰ জিলাধিপতি মি. হাবাৰ্ট স্কন্সৰ ওপৰত ৰাইজৰ ক্ষোভ দুগুণে চৰিছিল। তদুপৰি স্কন্স চাহাবে সহজ সৰল অসমীয়া মানুহৰ ধৰ্মীয় অনুভূতিত আঘাত হানি ফুলগুৰিৰ গড়মুৰ সত্ৰৰ নামঘৰত জোতা মোজা পিন্ধি সোমাই গৈ সিংহাসনত হাত দিয়ে। যাৰ বাবে ব্ৰিটিছৰ বিৰুদ্ধে অঞ্চলবাসীৰ মনত ক্ষোভ তীব্ৰৰ পৰা তীব্ৰতৰ হৈ উঠে। আনহাতে ১৮৫১-৫২ চনত ব্ৰিটিছ চৰকাৰে আবকাৰী কানি কিনা- বেচা প্ৰথা প্ৰৱৰ্তন কৰিছিল। তেওঁলোকে ভাবিছিল মানুহে সৰহ পইচা দি কানি কিনিব লগা হ'লে কানি খোৱাটো কমাব। অভ্যস্ত কানিয়াই যিমানেই দাম হওক কানি কিনিব বুলি আৰু পইচাৰ বাবে চাহবাগানত কাম কৰিব বুলি চাহ খেতিয়কে ধৰি লৈছিল। কানিয়াক আবকাৰী কানিৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল হ'বলৈ ১৮৬১ চনত আফু খেতি কৰাটো বন্ধ কৰে। সৰহ দামত কানি কিনিব নোৱাৰি কৃষক, বিশেষকৈ জনজাতীয় এলেকাৰ মানুহ অতিকৈ ক্ষোভিত হয়। বেণুধৰ কলিতাই তেওঁৰ 'ফুলগুৰি ধেৱা' নামৰ গ্ৰন্থখনত এনেদৰে লিখিছে- "ৰাইজে যেতিয়া দেখিলে যে জনসাধাৰণৰ উপকাৰৰ অৰ্থে চৰকাৰে কানি তুলিবলৈ ইচ্ছা কৰা নাই। কৰিছিল একমাত্ৰ কানি খেতি অসমীয়াৰ হাতৰপৰা নি চৰকাৰীভাৱে কৰি বেছি দামত বিক্ৰী কৰি সস্তীয়া দৰত বিলাতী চাহ বাগিচাত অসমীয়া কুলিৰ সৃষ্টি কৰাটোহে, তেতিয়া ৰাইজ জকি উঠিছিল।' বিভিন্ন কাৰণত অৰ্থনৈতিকভাৱে ক্ষতিগ্ৰস্ত হোৱা নগএঃ৷ সংগ্ৰামী জনতাই ধৰি লৈছিল যে ব্ৰিটিছে মানুহৰ ঘৰ, বাৰী, পাণ-তামোল আৰু পামৰ খেতিৰ ওপৰতো কৰ লগাব। ব্ৰিটিছৰ এনে শোষণ নীতিৰ প্ৰতিবাদ জনাবলৈ মণিৰাম দেৱান, ৰহাৰ ৰহিয়াল বৰুৱা, তিৱাৰ সাতো ৰজা-পাচো ৰজা সেনাপতি লক্ষণ সিং আদিয়ে ফুলগুৰি অঞ্চলৰ নেতৃত্বত স্থানীয় ব্যক্তি সকলৰ সহযোগত একত্ৰিত হয়। পৰৱৰ্তী সময়ত ১৮৬১ চনৰ ৭ ছেপ্টেম্বৰত নগাঁৱৰ জিলাধিপতিৰ স্কন্স চাহাবৰ কাৰ্যালয়ত প্ৰৱেশ কৰি অতিৰিক্ত কৰৰ বিৰোধিতা কৰে। স্বন্স চাহাবে কৃষকৰ সমস্যা সমাধান কৰাৰ পৰিৱৰ্তে তেওঁলোকক মাৰ কিল কৰি খেদি পঠাইছিল। পুনৰ সেই চনৰে ৯ অক্টোবৰত প্ৰতিবাদী জনতাই কৰৰ বোজা পৰিশোধ নকৰাৰ সিদ্ধান্ত জিলাধিপতিক অৱগত কৰে। এইবাৰো জিলাধিপতিয়ে কোনো গুৰুত্ব নিদিয়াত ৰাইজে বিষয়টোৰ সন্দৰ্ভত আলোচনা কৰিবলৈ ১৫ অক্টোবৰৰ পৰা ৫ দিনীয়াকৈ ৰাইজ মেল অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লৈছিল। ৰাইজ মেল অনুষ্ঠিত কৰাৰ খবৰ জিলাধিপতিৰ কাণত পৰাত নগাঁও সদৰৰ পৰা হৰধৰ ডাৰোগাক ১০জন বৰ কান্দাজ সৈন্য সহ এটা দল ফুলগুৰিলৈ পঠিয়াই। ফুলগুৰিত সমবেত জন সমুদ্ৰক আঁতৰাই পঠোৱাত ডাৰোগা বিফল হয়। সেই দিনাই সন্ধিয়া চাৰিটা বৰকান্দাজ আৰু পল্টনীয়া সেনা লৈ কীৰ্ত্তিকান্ত মহৰী ফুলগুৰিত উপস্থিত হয়। ১৭ অক্টোবৰ তাৰিখে আগবেলা ১০ বজাত মানুহবোৰ আকৌ তাত সমৱেত হ'বলৈ ধৰিলে। সেইদিনা বিয়লি ২ বজাত প্ৰায় চাৰি হেজাৰ মান মানুহ গোট খালে। তাৰে প্ৰায় ৫০০- ৬০০ মানুহৰ হাতত লাঠি-জোং ইত্যাদি আছিল। ডাৰোগাই এই সমগ্ৰ বিষয় জিলাধিপতিক অৱগত কৰিছিল। জিলাধিপতি লেফটেনেন্ট স্কন্স চাহেবে ১৮ অক্টোবৰত ফুলগুৰিলৈ গৈ ৰাইজৰ লগত আলোচনা কৰিব বুলি আশ্বাস প্ৰদান কৰে। ৰাইজে জিলাধিপতিৰ এই আশ্বাসৰ তীব্ৰ বিৰোধিতা কৰি প্ৰতিবাদ তীব্ৰতৰ কৰি তোলে। ১৮ অক্টোবৰৰ দিনা স্কন্স চাহাবৰ সলনি নতুনকৈ অসমলৈ অহা এচিষ্টেন্ট কমিচনাৰ লেফটেনেন্ট চিংগাৰ চাহাব ফুলগুৰিলৈ আহিল। ফুলগুৰি নামঘৰটোৰপৰা কেইশগজমান দূৰত থকা মানুহৰ জুমটোৰ ওচৰলৈ হৰনাথ বৰুৱা ডাৰোগা, জেইল দাৰোগা, মহৰী, ৪ টা চিপাহী, আদিৰ সৈতে ১১ টা বাৰাকান্দাজ সহ চিংগাৰ চাহাব যায়। চিংগাৰে গৈ কলং নৈৰ পাৰৰ তিনিজোপা ডাঙৰ আহত গছৰ তলত আহল-বহল মুকলি ঠাইত তিনিজুমহৈ অতি কমেও প্ৰায় ৩,০০০ মানুহৰ সমাৱেশ হোৱা দেখা পায়। প্ৰায়বোৰ মানুহৰ মূৰত পাগুৰি আৰু লাঠী-জোংৰে সু-সজ্জিত, কিছুমানৰ হাতত যাঠী আৰু ধনুকাঁড় আছে। কেইজনমান নেতাৰ লগত আলোচনা কৰি চিংগাৰে লাঠিবোৰ জমাদি ঘটনাস্থলৰপৰা আঁতৰি যাবলৈ হুকুম কৰে। কিছুমানে তাৎক্ষণাত হুকুম মান্য কৰিলে, বেছিভাগে কৰ্ণপাত নকৰিলে। কম বয়সীয়া অসমীয়া মানুহৰ ৰীতি-নীতিৰ সৈতে পৰিচয় নথকা চিংগাৰে জোৰকৈ প্ৰজাক নিৰস্ত্ৰ কৰিবলৈ পুলিচক আদেশ দিয়াৰ লগতে নিজেও বিদ্ৰোহীসকলক নিৰস্ত্ৰ কৰিবলৈ তৎপৰ হয়। সেই কথাত মানুহবোৰ খঙত জ্বলি উঠিল আৰু বহাৰ পৰা থিয় হ'ল। এটা বিৰাট হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হ'ল। চাৰিওফালে ধৰধৰ মাৰমাৰ ধ্বনি হ'ল। চিংগাৰৰ হুকুমত দাৰোগাই ২ জন মানুহক বান্ধি আটক কৰিলে। এজনে আহি হঠাতে চিপাহী এজনক লাঠীৰে মাৰ মাৰি দিলে। পোনপ্ৰথমে মাৰটো সোধোৱা মানুহটো আছিল মৈৰাচিং। চিংগাৰে নিজেই মৈৰাচিং নামৰ লোকজনৰ লাঠীদাল জব্দ কৰিবলৈ টনা-আজোৰা কৰিলে আৰু লাঠীডাল কাঢ়ি আনিলে। ডাৰোগাই গ্ৰেপ্তাৰ কৰা মানুহ দুজনে লগৰ মানুহবোৰক চিএঃৰি চিএঃৰি তেওঁলোকক অকলশৰীয়া কৰি এৰি থৈ যাবগৈ নেকি বুলি সুধিবলৈহে পালে, বচিগপুৰ মৌজাৰ (প্ৰকৃততে হাতীগড় মৌজাৰ) বাহু কৈৱৰ্ত্তই মূৰত মাৰ মাৰি একেকোবতে চিংগাৰক ধৰাসায়ী কৰিলে। ইয়াৰ লগতে আৰু তিনিজন চিপাহী নিহত হ'ল। ৰাইজৰ জুমৰ মাজলৈ চিপাহীয়ে গুলিয়ালে যদিও জংগী লোকসকলৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি চিপাহীবোৰ পলাই যাবলৈ বাধ্য হ'ল। হত্যা সংক্ৰান্তত পুলিচ- মহৰীয়ে চিনাক্ত কৰা লোকসকল হ'ল ৰাহু কৈৱৰ্ত্ত, কাতি লালুং, থম্বা লালুং, জবালালুং কাটিয়া লালুং, মহিকোঁচ আৰু কলি ডেকা আদি। ক্ষোভিত ৰাইজে "চিংগাৰৰ শটো কলংনদীত উটুৱাই দিলে। তিনিজন চিপাহী হতাহত হ'ল। চিপাহী বিদ্ৰোহৰ আগৰেপৰা প্ৰশিক্ষণ লৈ থকা অথচ পিছত ঘৰা-ঘৰি যোৱা মেলত উপস্থিত থকা সৈন্যবোৰৰ কিছুমানে কলঙৰ দুয়োপাৰে সশস্ত্ৰে সদৰৰ খাৰঘৰ দখল কৰিবলৈ হৈচৈকে যাত্ৰা আৰম্ভ কৰে। এটা দলে ৰহা থানা দখল কৰি ডাৰোগা গোলাপ সিঙকো আধামৰা কৰি কলঙত উটুৱাই দিয়ে। শেনচোৱাৰ আগত ডিমৌ বিলৰ কাষত চিংগাৰৰ সাহায্যে যোৱা চিপাহীৰ লগত এটা দলৰ মুখামুখি হয় আৰু খণ্ডযুদ্ধত ববৰা আটিৰ চোৱাৰৰ লালুং চিপাহীৰ গুলিৰ আঘাতত মৃত্যু হয়। কৰঙৰ দক্ষিণপাৰে যোৱা দলটোৰ ঘাঁহি গাঁৱৰ ওচৰত মুখামুখি হয়। সেই ঠাইত দুয়ো পক্ষৰ এঘাৰজন লোকৰ মৃত্যু হয়। এজন হাবিলদাৰৰ নেতৃত্বত এটা পুলিচবাহিনী ফুলগুৰিলৈ পঠায়। অসম লাইট ইনফেন্ট্ৰিৰ ২৫ টা চিপাহীৰে ডেপুটী কমিচনাৰে ট্ৰেজাৰী লুট আৰু সদৰ জ্বলাই দিব বুলি হাবাৰ্ট স্কঞ্চে নিৰুপায় হৈ দৰঙৰ ডেপুটী কমিচনাৰ ডব্লিউ ফেয়াৰৰপৰা সিদিনাই সৈন্যবল বিচাৰি পঠালে। লক্ষ্ণৌ নামৰ জাহাজত গুৱাহাটীৰপৰা ডিব্ৰুগড় অভিমুখে আহি থকা তদানীন্তন কমিচনাৰ হেনৰী হপকিঞ্চৰ ১৯ অক্টোবৰৰ দিনা বেলি ডুবাৰ সময়ত তেজপুৰ পায়। লেঃ ফেয়াৰে সৈন্যবলৰ প্ৰয়োজনীয়তাৰ কথা জনায়। লক্ষ্ণৌ জাহাজৰ সহযাত্ৰী চেকেণ্ড আছাম ইনফেনট্ৰিৰ ভাৰপ্ৰাপ্ত কামাণ্ডাৰ মেজৰ কেম্পবেলক তেজপুৰৰ পৰা ৫০ জন মান সৈন্য লৈ লাওখোৱা ঘাটেৰে নগাঁৱলৈ যাবলৈ ব্যৱস্থা কৰি দিয়ে আৰু হপকিঞ্চে নিজে গুৱাহাটীলৈ অধিক সৈন্যৰ বাবে যাত্ৰা কৰে। ২০ অক্টোবৰত কেম্পবেলৰ সৈন্যবাহিনী ফুলগুৰি পায়। কেপ্তেইন চেম্বেৰছে চেকেণ্ড আছাম লাইট ইনফেন্ট্ৰীৰ প্ৰায় ৮০ জন সৈন্য লৈ ২০ তাৰিখে তেজপুৰ পায় আৰু ২৩ অক্টোবৰত তেওঁলোকৰ লগত নিজে আহি নগাঁও পায়হি। ১৯ অক্টোবৰত ফুলগুৰিত বিদ্ৰোহীয়ে ধনুকাঁড় যাঠী কঢ়িয়াই লৈ পুলিচৰ মুখামুখি হ'ল। ২০ অক্টোবৰত কেম্পবেলৰ সৈন্যবাহিনীৰ হাতত বহুতো বিদ্ৰোহীৰ মৃত্যু হ'ল, বহুতো চিৰকাললৈ ঘূণীয়া হ'ল। ২৩ অক্টোবৰৰ দিনা গুৱাহাটীৰপৰা অহা চেকেণ্ড আসাম লাইট ইনফেনট্ৰিৰে বলবান হৈ ডেপুটী কমিচনাৰ স্কনচে ফুলগুৰি, নেলি, কচুহাট, ৰহা আৰু অন্যান্য ঠাই ভ্ৰমণ কৰে। লালুং ৰজা সমূহৰ ল'ৰাহঁতক চিংগাৰৰ হত্যাত জড়িত কৰি তেওঁলোককে ধৰি ৪১ জন লোকক গ্ৰেপ্তাৰ কৰে। ফুলগুৰিত সৈন্য শিবিৰ পাতি প্ৰজাৰ ওপৰত নানান অত্যাচাৰ কৰে। ৩৯ জন মানুহক নৃশংসভাৱে হত্যা কৰে। আঘাতপ্ৰাপ্ত ১৫ জন বিনা চিকিৎসাত মৃত্যু হয়। ইফালে আকৌ শবোৰ আঁতৰোৱাৰ কোনো ব্যৱস্থা নকৰাত শবোৰ গেলি পচি যোৱাতহে পৰিয়াল বৰ্গক নিবলৈ দিছিল। চিনাক্ত হ'লে অত্যাচাৰী ইংৰাজৰ হাতত গৃহস্থৰ অপকাৰ হ'বৰ আশংকা কৰি আত্মীয় স্বজনে শবোৰ লুকাই চুৰকৈ নি কলঙৰ দক্ষিণ পাৰৰ, ফুলগুৰিৰ পৰা এমাইল দূৰত হাবিৰ মাজত থকা বিলখনৰ কাষত সমূহীয়েকৈ সৎকাৰ কৰিছিল। আজিও সেই বিলখনৰ নাম মানুহ পোৰা বিল নামেৰে জনাজাত। ইয়াৰ পাছতো লাইট ইনফেনট্ৰিৰ চিপাহীয়ে ফুলগুৰিত ৬ মাহলৈ চাউনী পাতি অঞ্চলটোত পহৰা দিয়াৰ নামত নিদাৰুণ অত্যাচাক চলাইছিল। তিৰুতা মানুহো সিহঁতৰ পাশৱিক অত্যাচাৰপৰা সাৰি যোৱা নাছিল। সিফালে বাৰাকান্দাজ চিপাহীবোৰৰ ভৰণ পোষণৰ বাবে ফুলগুৰি আৰু ৰহা অঞ্চলৰ মানুহক ৰচদ পাতিৰ যোগান ধৰিবলৈ বাধ্য কৰিছিল।

জিলাধিপতিয়ে বিনাজুৰিৰে বিচাৰ পাতি নগাঁও সদৰ জেলত (ব্ৰিটিছ চৰকাৰে) নামমাত্ৰ বিচাৰ পাতি অনাদৰ পুলিচ মহৰী আৰু হলধৰ বৰুৱাৰ জৱানবন্দী আৰু জেইল দাৰোগা, সদৰ থানাৰ কেৰাণী- জমাদাৰ (হলধৰ বৰুৱাৰ লগত অহা), কীৰ্তিনাথ মহৰী আদিৰ জৱানবন্দীৰ ওপৰত ভিত্তি কৰি কটহগুৰী গাঁৱৰ লক্ষণ চিং ডেকা, টোপাকুচিৰ ৰংবৰ ডেকা, ঔগুৰিৰ চাংবৰ লালুঙক নগাঁও জেইলতে ফাঁচি দিয়ে। তাৰোপৰি ৰূপচিং লালুং, চিবচিং লালুং, নৰচিং লালুং, কটঁহগুৰিৰ হেবেৰা লালুং, দেউৱালিৰ বাহু কৈৱৰ্ত্ত আৰু বনমালী কৈৱৰ্ত্ত এই ৬ জনক যাৱজ্জীৱন-জীপান্তকৰী কৰি কলিয়া-পানীলৈ পঠালে। এই হুকুমৰ বিৰুদ্ধে কলিকতাৰ সদৰ জৰ্জ আদালতত আপিল হৈছিল। কাটিং লালুং, অম্বালালুং, জব লালুং, কটীয়া লালুং, মহিকোচ আৰু কলী ডেকা প্ৰভৃতি ৩১ জন মানুহক ৰ বছৰৰ পৰা ১০ বছৰ পৰ্যন্ত সশ্ৰম কাৰাদণ্ড বিহা হয়। পূৰ্ব উল্লেখিত পাঁচোৰজা আৰু সাতো ৰজা সকলৰ সকলো চৰকাৰী পদ ও সুবিধা ৰহিত কৰে। ৰহীয়াল বৰুৱা, জাগীয়াল গোসাঁই প্ৰমুখ্যে সম্ভ্ৰান্ত লোকসকলক কছাৰীলৈ আনি লটি ঘটি কৰে। কেইবাজনো মৌজাদাৰৰ মৌজা কাঢ়ি লয় আৰু কেবাজনো চাকৰিয়ালক কামৰপৰা অব্যাহতি দিয়ে। বিচাৰৰ লগতে ছমাহ ধৰি ফুলগুৰিত চাউনী পাতি থকা চিপাহীবোৰৰ অমানুষিক অত্যাচাৰ উৎপীড়ণত বিদ্ৰোহৰ জুইকুৰা একেবাৰে নিৰ্বাপিত কৰি পেলালে। পিয়লি ফুকন, মণিৰাম দেৱানৰ কৰুণ স্মৃতিক লৈ গোৱা গীতবোৰৰ দৰে ফুলগুৰি ধেৱাৰ বেদনাদায়ক স্মৃতিক লৈয়ো অঞ্চলটোৰ মানুহৰ মুখে মুখে কিছুমান গীত প্ৰচলিত হৈছিল।

যেনে- অ' আইটী! অ' আইটী তিনিজোপা আহতৰ তলতে, অ' আইটী ধেৱাখন লাগিলে...। ৰূপচিং- চিৰচিং- বাহু- বনমালীস্থ"। এতিয়া এই গীতবোৰ শুনিবলৈ পোৱা নাযায়। জীৱনৰ প্ৰত্যাহিকতাত মানুহে ফুলগুৰি ধেৱাৰ কথা পাহৰি যোৱাৰ লগে লগে তাৰ স্মৃতিত মুখে মুখে ৰচিত বেদনাদায়ক গীতবোৰো পাহৰণিৰ গৰ্ভত বিলীণ হ'ল। নগাঁও জিলাৰ সংগ্ৰামী ৰাইজ তথা ফুলগুৰিয়া ৰাইজৰ বাবে ১৮ অক্টোবৰ তাৰিখটো এতিয়া ৰৈ গ'ল মাথোঁ স্মৃতি দিৱস হিচাপেহে। ইতিমধ্যে ফুলগুৰিৰ এই বিদ্ৰোহক যাওতি-যুগীয়া কৰি ৰাখিবৰ বাবে ধেৱা স্মৃতি সৌধ, ধেৱা স্মৃতি তোৰণ, ৰাইজমেল ভৱন নিৰ্মাণ কৰা হৈছে। সৰ্বভাৰতীয় প্ৰেক্ষাপটত ফুলগুৰি ধেৱাক জিলিকাই ৰাখিবলৈ এইয়া যথেষ্ট নহয়। ফুলগুৰি ধেৱাক পৰ্যটনৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তোলাৰ পূৰ্ণ সম্ভাৱনা আছে যদিও এই ক্ষেত্ৰত চৰকাৰে বিশেষ গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। চৰকাৰীভাৱে ফুলগুৰি ধেৱা উদ্‌যাপন হোৱা নাই। ব্ৰিটিছৰ বিৰুদ্ধে একত্ৰিতভাৱে প্ৰথম বৃহৎ কৃষক বিদ্ৰোহৰ স্থলি ফুলগুৰিৰ ধেৱা অসমীয়া জাতীয় জীৱনৰ এক গুৰুত্বপূৰ্ণ দলিল আৰু প্ৰেৰণাৰ প্ৰতীক। সাম্ৰাজ্যবাদী শাসনৰ বিৰুদ্ধে ফুলগুৰিৰ ধেৱা অসমীয়া জাতিৰ এক ঐতিহাসিক সংগ্ৰাম। এই সংগ্ৰামৰ ইতিহাস নৱ প্ৰজন্মৰ মাজত বিলাই দিয়াটো অতি প্ৰয়োজনীয়।

# অসমৰ কাৰ্বি আংলং জিলাৰ দেওপানী দুৰ্গা মন্দিৰ বা দেওপানী থান




**চন্দন শৰ্মা, তেজপুৰ ঃ** দেওপানী দুৰ্গা মন্দিৰ বা দেওপানী থান অসমৰ কাৰ্বি আংলং জিলাৰ বোকাজানৰ বৰসেৰাগুৰি গাঁৱৰ সমিপৰৰ দেওপানী চাহ বাগিচাত অৱস্থিত মা দুৰ্গাৰ প্ৰতি উৎসৰ্গিত মন্দিৰ। দেওপানীত উদ্ধাৰ কৰা আৰু প্ৰতিষ্ঠাপিত প্ৰত্নতাত্ত্বিক মূল্যবিজড়িত শৈলমূৰ্তিসমূহ নৱম-দশম শতিকাৰ। থানৰ পৰা প্ৰায় দুই কিল'মিটাৰ আগলৈ সুপ্ৰাচীন মূৰ্তি প্ৰতিষ্ঠাৰে ঐতিহ্যমণ্ডিত শিৱ থান এখন আছে। দেওপানী নৈৰ পাৰত পৰ্যটন বিভাগৰ আটকধুনীয়া নিৱাস অৱস্থিত। দেওপানী মন্দিৰ হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ উপাসনাস্থল। ইয়ালৈ দৈনন্দিন বহু ভক্তৰ সমাগম হয়। প্ৰতি বছৰে অনুষ্ঠিত দুৰ্গা পূজাত মন্দিৰত ভক্তসকলৰ ভীৰ হোৱা পৰিলক্ষিত হয়। শ্ৰী সুৰেন্দ্ৰ বৈষ্ণৱ কল্যাণ প্ৰতিষ্ঠানম ন্যাসে মন্দিৰ পৰিচালনা কৰে। চৰকাৰৰ অসম দৰ্শন আঁচনিৰ অধীনত অসম বাজেট ২০১৯-২০ত ইতিহাসপ্ৰসিদ্ধ পৰ্যটন স্থলৰ পৰিকাঠামো উত্তৰণৰ উদ্দেশ্যে প্ৰকাশিত অনুদান প্ৰাপ্তিৰ তালিকাত দেওপানী থানো অন্তৰ্ভুক্ত হৈছে। স্বৰ্গীয় সুৰেন্দ্ৰ নাথ ৰয় (নুনু বাবু নামেৰে জনাজাত) নামৰ এজন জনপ্ৰিয় স্বাধীনতা সংগ্ৰামী, জনহিতকৰ আৰু চাহ খেতিয়কে অসমৰ দেওপানী চাহ বাগিচাত বাস কৰিছিল। এদিনাখন তেওঁ চাহ বাগিচাৰ হাবিত তেওঁৰ বন্ধু আৰু শ্ৰমিকসকলৰ সৈতে চিকাৰ কৰাৰ সিদ্ধান্ত লয়। তেওঁলোকে এটা ঠাইত শিবিৰ পাতিছিল আৰু চিকাৰৰ পিছত বিশ্ৰাম লৈছিল। সন্ধিয়া হোৱাৰ লগে লগে তেওঁলোক তেওঁলোকৰ ঘৰলৈ উভতি আহিল আৰু নুনু বাবুদে দেওপানী চাহ বাগিচাত থকা তেওঁৰ বাংলোত জিৰণি ল'বলৈ গ'ল। মাজনিশা তেওঁ দেৱী দুৰ্গাৰ সপোন দেখি সাৰ পাইছিল আৰু সপোনত দুৰ্গা দেৱীয়ে তেওঁক তেওঁলোকে চিকাৰ কৰি আমোদ কৰা ঠাইৰ তলত মা দুৰ্গা লুকাই আছে বুলি কৈছিল। তেওঁ নুনু বাবুক ভূগৰ্ভৰ পৰা বাহিৰলৈ উলিয়াই আনিবলৈ কৈছিল। সেইৰাতিয়ে তেওঁ তেওঁলোকৰ পৰিয়ালৰ পুৰোহিতক মাতি পঠিয়ায় আৰু তেওঁৰ সপোনৰ কথা বিৱৰি কয়। পুৰোহিতে তেওঁক এয়া ঐশ্বৰিক আজ্ঞা বুলি পতিয়ন নিয়াইছিল। কেইঘণ্টামানৰ ভিতৰতে জংঘলৰ ঠাইখনত শ শ লোক একত্ৰিত হৈছিল আৰু খননৰ কাম আৰম্ভ হৈছিল। কিছুসময়ৰ পিছত এটাৰ পিছত এটাকৈ সৰু আকাৰৰ কেইবাটাও মূৰ্তি উদ্ধাৰ হ'ল। শেষত দেৱী দুৰ্গাৰ মূৰ্তি পোৱা গৈছিল আৰু হাতী ব্যৱহাৰ কৰি অতি সাৱধানতাৰে বিশাল আৰু গধুৰ মূৰ্তিটো উদ্ধাৰ কৰা হৈছিল। ইয়াৰ কিছু দূৰত ক'লা গ্ৰেনাইটত খোদিত ভগৱান বিষ্ণুৰৰ এটা মূৰ্তি উদ্ধাৰ কৰা হৈছিল। পিছত নুনু বাবুয়ে তেওঁৰ দেউতাক উদ্যোগপতি দেৱৰাজ ৰয়ক আৰু তেওঁৰ জ্যেষ্ঠ ভাতৃ মহেন্দ্ৰ নাথ ৰয়ক এই বিষয়ে অৱগত কৰে। তেওঁলোকৰ কুল দেৱী হিচাপে দুৰ্গা দেৱীক উপাসনা কৰাৰ বাবে দেৱী দুৰ্গাৰ মূৰ্তি উদ্ধাৰ হোৱা ঠাইৰ পৰা কেই মিটাৰ দূৰত অস্থায়ী আশ্ৰয়স্থল স্থাপন কৰা হৈছিল। এক শুভ মুহূৰ্ত বাছনি কৰি অতি ধুমধামেৰে প্ৰাণ প্ৰতিষ্ঠা পূজা স্বৰ্গীয় দেৱৰাজ ৰয় আৰু তেওঁৰ পৰিয়ালৰ সদস্যসকলে আয়োজন কৰি দেওপানী থান প্ৰতিষ্ঠা কৰিছিল বুলি জানিব পৰা যায়।

# বধায়িকা শিৰামনি বৰাৰ ঘনিষ্ঠ কংগ্ৰেছী নেতাৰ বিৰুদ্ধে চাঞ্চল্যকৰ অভিযোগ

## গোপনে নিজৰ নামত ৰাখিছে তিনিটাকৈ ভোটাৰ আই ডি

**জয়ন্ত মুদৈ, নগাঁও ঃ** সাধাৰণতে এজন লোকৰ বিপৰীতে থাকে একোটাকৈ ভোটাৰ আই ডি। এজন লোকৰ সকলো তথ্য লিপিবদ্ধ হোৱাৰ পিছত নিৰ্বাচন আয়োগে নিৰ্দিষ্ট লোকজনক তেওঁৰ নামত একোটাকৈ ভোটাৰ আই ডি প্ৰদান কৰে। কিন্তু মধ্য অসমৰ এজন কংগ্ৰেছী নেতাৰ আছে তিনিটাকৈ ভোটাৰ আই ডি। আচৰিত যেন লাগিলেও সঁচা এই কথা। এই কংগ্ৰেছী নেতাজনৰ নাম হৈছে নুৰুল আমিন। তেওঁ নিয়োজিত হৈ আছে ধিং ব্ল'ক কংগ্ৰেছ কমিটিৰ সভাপতিৰ দৰে গুৰুত্বপূৰ্ণ পদত। জানিব পৰা মতে, কংগ্ৰেছৰ বিধায়িকা শিৰামনি বৰাৰ বিশেষ ঘনিষ্ঠ নুৰুল আমিন মূলতঃ মৰিগাঁও জিলাৰ লাহৰীঘাট বিধানসভা সমষ্টিৰ মিকিৰভেটা আৰক্ষী থানাৰএলেকাধীন শিলপুখুৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত শিলপুখুৰী গাঁৱৰ বাসিন্দা। শেহতীয়াকৈ এই নুৰুল আমিনে তিনিটাকৈ ভোটাৰ আই ডি গোপনীয়তাৰে সংগ্ৰহ কৰাৰ ভয়ংকৰ তথ্য পোহৰলৈ আহিছে। যি সময়ত ভাৰত চৰকাৰৰ নিৰ্বাচন আয়োগে এজন ব্যক্তিক যিকোনো এটা বিধানসভা সমষ্টিতহে ভোটাধিকাৰ সাব্যস্ত কৰাৰ সাংবিধানিক অধিকাৰ প্ৰদত্ত কৰিছে, সেই সময়তে এজন লোকৰ নামত তিনিটাকৈ ভোটাৰ আই ডি অতি কৌশলেৰে নিৰ্বাচন আয়োগৰ পৰা সংগৃহীত কৰা বিষয়টোকে সকলোৰে চকু কপালত তুলিছে। আচলতে, নিৰ্বাচন আয়োগৰ চকুত ধূলি দি এইদৰে তিনিটাকৈ ভোটাৰ আই ডি নিজৰ নামত উলিয়াই এইজন কংগ্ৰেছী নেতাই ৰাজনৈতিক মুনাফা লাভৰ লগতে চৰকাৰী আঁচনিও তিনিটাকৈ পৃথক স্থানৰ পৰা পাই থকাৰ দৰে ভয়ংকৰ জালিয়াতিৰ তথ্য পোহৰলৈ অহাটোয়ে সকলোৰে মাজত বেছ চৰ্চা লাভ কৰিছে। প্ৰাপ্ত অভিযোগ অনুসৰি, বৰ্তমানৰ আমলখি-চহৰীয়া জিলা পৰিষদৰ সদস্যা নাৰ্গিছ চুলতানাৰ টুকটুকী গাঁৱত থকা ঘৰৰ নম্বৰৰ বিপৰীতে PVO0125963 আৰু PVO 0151266 নম্বৰত দুটাকৈ ভোটাৰ আই ডি ৰহস্যজনকভাৱে ৫৪ বছৰ বয়সত সংযুক্ত (নতুনকৈ) কৰিছে। প্ৰকৃততে তেঁওৰ মৰিগাঁও জিলাৰ লাহৰিঘাট সমষ্টিৰ শিলপুখুৰী গাঁৱৰ ঘৰত থকা CCG1460679 নম্বৰটোত থকা ভোটাৰ আই ডি হে স্থায়ীভাৱে পৰিচিত যদিও ৰাজনৈতিক মুনাফা আৰু চৰকাৰী আঁচনিৰ সুবিধা গ্ৰহণৰ বাবেই এনেধৰণৰ ভোটাৰ আই ডি জালিয়াতিৰ দৰে ভয়ংকৰ অপৰাধ সংঘটিত কৰি অহা বুলি নুৰুল আমিনৰ বিৰুদ্ধে অভিযোগ উঠিছে। গতিকে, ভোটাৰ আই ডিৰ জালিয়াতিত লিপ্ত থকা কংগ্ৰেছী নেতা নুৰুল আমিনৰ বিৰুদ্ধে শীঘ্ৰে আইনগত ব্যৱস্থা গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ কামনা কৰিছে সচেতন মহলে।

# বৃহত্তৰ হাতীচোং মৌজাৰ কুৰিৰো অধিক স্থানত উদ্‌যাপিত ৰাস মহোৎসৱ

## কৃষ্ণ বন্দনাৰে মুখৰিত আকাশ-বতাহ, প্ৰতিটো ৰাস মণ্ডপত মৰমৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি

**জয়ন্ত মুদৈ, নগাঁও ঃ** প্ৰতি বছৰে শৰৎ কালৰ পূৰ্ণিমা তিথিত ৰাজ্যজুৰি উদ্‌যাপন কৰা হয় ৰাস মহোৎসৱ। শৰতৰ পূৰ্ণিমাৰ নিশা বিতোপন হৈ পৰে ৰাজ্যৰ চৌপাশ। এইবাৰো সমগ্ৰ ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উদ্‌যাপন কৰা হয় ৰাস মহোৎসৱ। সেয়ে কেৱল শ্ৰীকৃষ্ণৰ বন্দনাৰে দ্বিতীয় বৈকুণ্ঠপুৰীলৈ পৰিণত হৈ পৰিছে ৰাজ্যৰ চৌদিশ। পিছে এইবাৰ সুমধুৰ সংগীতেৰে জগত জিনা প্ৰাণৰ আপোন শিল্পী জুবিন গাৰ্গৰ সন্দেহজনক মৃত্যুৰ দুখ বুকুত সাৱটি এই ৰাস মহোৎসৱ উদ্‌যাপিত কৰে ৰাজ্যবাসীয়ে। ইয়াৰ ব্যতিক্ৰম নহয় মধ্য অসমৰ নগাঁও জিলাও। প্ৰতিজন লোকৰে হিয়াৰ আমঠু জুবিন গাৰ্গৰ অনাকাংক্ষিত মহাপ্ৰয়াণে ম্ৰিয়মাণ কৰি ৰখা নগাঁৱা জনগণেও এইবেলি পূৰ্বৰ ব্যাপক জাকজমকতা পৰিহাৰ কৰি ৰাস মহোৎসৱটি উদ্‌যাপন কৰে। ইয়াৰ ভিতৰত সমগ্ৰ অসমতে চিৰপৰিচিত জিলাখনৰ পশ্চিম প্ৰান্তৰ বৃহত্তৰ হাতীচোং মৌজাৰ ঐতিহাসিক ৰাস মহোৎসৱ উপলক্ষে সমগ্ৰ মৌজাটোতে সৃষ্টি হয় ওখল-মাখল পৰিৱেশৰ। আচলতে, বছৰ বছৰ ধৰি পৰম্পৰাগতভাৱে ওলহ-মালহেৰে উদ্‌যাপন কৰি অহা বৃহত্তৰ হাতীচোং মৌজাৰ ঐতিহাসিক ৰাস মহোৎসৱে পূৰ্বৰে পৰা সৰ্বস্তৰৰ ৰাইজৰ বিশেষ সমাদৰ লাভ কৰি আহিছে। শৰতৰ অতি বিতোপন পূৰ্ণিমাৰ নিশা চল্লিশ দশকৰ পৰা নিৰৱচ্ছিন্নভাৱে মৌজাটোৰ বিভিন্ন স্থানত মহা ধুমধামেৰে অনুষ্ঠিত কৰি অহা ৰাসলীলা চাবলৈ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ জনতাই ৰাসথলীসমূহ একপ্ৰকাৰে সমন্বয় ক্ষেত্ৰত পৰিণত কৰি তোলে। ঘাইকৈ এই ৰাস মহোৎসৱবোৰত প্ৰদৰ্শিত হোৱা ছোৱালীৰ ৰাসে আজিও দৰ্শকক আকৰ্ষিত কৰি আহিছে। প্ৰকাশ যে, শ্ৰীকৃষ্ণৰ জন্মৰ পৰা কালীয় দমন, পুতনা বধ, লৱনু চোৰ, বকাসুৰ বধ আদিকে ধৰি কৃষ্ণলীলাবোৰ কণ কণ শিশুৰ দ্বাৰা আৰু শংখচূড় বধ পৰ্যন্ত ৰাসক্ৰীড়া সমূহ যুৱতীৰ দ্বাৰা কেৱল সু-সজ্জিত মঞ্চত মনোমোহা নৃত্য-গীতেৰে পৰিৱেশন কৰা 'কেলী গোপাল' অংকীয়া নাটখন চাবলৈ জনতাৰ লানি নিচিগা সোঁত বয়। ইয়াৰ ভিতৰত বিশেষ কাৰিকৰী কৌশলেৰে প্ৰদৰ্শন কৰা 'কালীয় দমন'ৰ দৃশ্যটিয়ে সদায়েই দৰ্শকৰ মাজত ব্যাপক আলোড়নৰ সৃষ্টি কৰি আহিছে। অসমৰত্ন জুবিন গাৰ্গৰ মৃত্যুৱে সকলোকে শোকৰ সাগৰত বোৱাই ৰাখিলেও হাতীচোং মৌজাবাসী ৰাইজে পূৰ্বৰ পৰম্পৰা তথা অসমীয়া সংস্কৃতি ৰক্ষাৰ্থে এইবেলিও পৃথকে পৃথকে ৰাস মহোৎসৱ মৌজাটোৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত কৰে। এইবাৰ মৌজাটোৰ চকলাঘাট, মাজগাঁও, ৰাইদঙীয়া, জাজৰি, নসত্ৰ, আইভেটী, নমাটি, কাকমাৰী, শিমলুতল, কুজিদাঁহ, জামুগুৰি, চমুৱাগাঁও, খালৈগাঁও, বেলতল, বগৰিগুৰি, ৰজাগাঁও, কুৰুৱাবাহী আদিকে প্ৰমুখ্য কৰি কুৰিৰো অধিক স্থানত দুইৰ পৰা তিনি দিনীয়াকৈ ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে অনুষ্ঠিত কৰা হয় ৰাস মহোৎসৱ। এই ৰাস মহোৎসৱবোৰত এইবাৰ গণশিল্পী জুবিন গাৰ্গক স্মৰণ কৰি শিল্পীজনৰ প্ৰতি শ্ৰদ্ধা নিবেদি বিশেষভাৱে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰাৰ লগতে ৰাসথলীবোৰত মৰমৰ শিল্পীজনৰ প্ৰতিচ্ছবি স্থাপন কৰা দেখা যায়। ইয়াৰ বিপৰীতে মৌজাটোৰ বৃহত্তৰ জামুগুৰি অঞ্চলত ভাৱৰীয়াৰ সাজ-পোছাক বিচাৰি বিভিন্ন প্ৰান্তৰ পৰা সমাগম ঘটে জনতাৰ । কিয়নো, এই অঞ্চলটো উন্নতমানৰ অত্যাধুনিক চকুত লগা ভাৱৰীয়াৰ সাজ-পোছাকৰ বাবে অতিকে বিখ্যাত। যুগ যুগ ধৰি এই অঞ্চলটোত বহুকেইজন লোকে ভাৱৰীয়াৰ নানা তৰহৰ সাজ-পোছাক ভাড়াত দি ৰাইজৰ বেছ সমাদৰ লাভ কৰি আহিছে। তদনুযায়ী পূৰ্বৰ বছৰবোৰৰ দৰেই এইবাৰো ৰাস মহোৎসৱ উপলক্ষে নগাঁও আৰু মৰিগাঁও জিলাৰ লগতে ৰাজ্যৰ বহু ঠাইৰ পৰা ভাৱৰীয়াৰ সাজ-পোছাক বিচাৰি এই অঞ্চলটোলৈ আহে শিল্পীসকল। ফলত অঞ্চলটোৰ বিখ্যাত মামনি ষ্টোৰ, পূৰ্ণিমা ষ্টোৰ, বিনায়ক ড্ৰেছ হাউচ, লক্ষী ভাণ্ডাৰ, অম্লানজ্যোতি ড্ৰেছ হাউচ আদিত ৰাইজে যথেষ্ট ভিৰ কৰা পৰিলক্ষিত হয়।

# আজিৰ পৰিৱেশত বৃদ্ধি পোৱা বান্দৰৰ উপদ্ৰৱ

■ **শংকৰ দেৱ,** দেৰগাঁও

আধুনিক সমাজত মানুহৰ জনবসতি দ্ৰুতগতিত বৃদ্ধি পাই আহিছে। গাঁও-চহৰ উভয়তে বনাঞ্চল কাটি ঘৰ, কল-কাৰখানা, দোকান, পথ আদি নিৰ্মাণ কৰাত অৰণ্যৰ সীমা ধ্বংস হৈ আহিছে। ইয়াৰ ফলত প্ৰাকৃতিক আশ্ৰয়স্থল হেৰাই বান্দৰ সমূহে মানুহৰ বসতি অঞ্চল লৈ ধাপলি মেলিছে, ফলত আজি বান্দৰৰ উপদ্ৰৱ এক বিশেষ সমস্যা ৰূপে পৰিগণিত হৈছে, বিশেষকৈ চহৰ অঞ্চলৰ ৰাজহুৱা স্থানত সিহঁতৰ উপদ্ৰৱ দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে যেনেকৈ- ঘৰ, দোকান আদি ঠাইত খাদ্য সামগ্ৰী লুটপাট কৰা, চিলিং, ছাদ আৰু বৈদ্যুতিক লাইন ভাঙি লোকচান কৰা, ল'ৰা-ছোৱালীক আক্ৰমণ কৰি ভয় সৃষ্টি কৰা, খেতি পথাৰৰ খাদ্যৰ ফচল ধ্বংস কৰা ইত্যাদি ইত্যাদি।

বান্দৰৰ উপদ্ৰৱৰ মূল কাৰণসমূহ বিশেষকৈ - গছ-গছনি কাটি শেষ কৰা, বাগিচা ধ্বংস আৰু অৰণ্যৰ সংকোচন হোৱাৰ বাবে বান্দৰৰ আশ্ৰয় স্থল হ্ৰাস হৈ আহিছে।

আজি বান্দৰৰ বাবে মানৱ বসতি স্থানত খাদ্যৰ সহজলভ্যতা হোৱা দেখা পোৱা গৈছে, যেনেকৈ- দোকান বজাৰ, মানুহৰ ঘৰ আৰু স্কুল-কলেজত খাবলৈ সহজে পাওঁতে বান্দৰ আহি উপদ্ৰৱ সৃষ্টি কৰিবলৈ ধৰিছে। পৰ্যটন ক্ষেত্ৰ আৰু নগৰ চহৰত মানুহে সঁচাকৈয়ে বান্দৰক খাবলৈ দিয়া প্ৰৱণতাৰ বাবেও ই মানুহৰ ওচৰলৈ আহিবলৈ অভ্যস্ত হৈছে। সেইদৰে মানুহৰ ঘৰৰ ওচৰত থকা ৰাজহুৱা ডাষ্টবিন বা বাহিৰত পেকেটত থোৱা খাদ্য বান্দৰৰ বাবে আকৰ্ষণীয় হৈ পৰিছে, যাৰ বাবে সিহঁতক মানুহৰ অঞ্চললৈ টানি আনিব লগীয়া হৈছে। এই উপদ্ৰৱ ৰোধ কৰাৰ কিছু প্ৰচেষ্টা হিচাপে- বনাঞ্চলৰ কাষত ফলমূলৰ গছ ৰোপণ কৰি বান্দৰক সিহতঁৰ স্বাভাৱিক খাদ্য যোগান ধৰাৰ ব্যৱস্থা কৰিব লাগিব, বনাঞ্চল আৰু গছ গছনি ৰক্ষা কৰি বান্দৰৰ আদি বাসস্থান সংৰক্ষণ কৰিব লাগিব। গাঁও-চহৰত বান্দৰৰ ওপৰত নিৰ্ভৰশীলতা আৰু অভ্যাস ভাঙিবলৈ জন সচেতনতা অভিযান চলাব লাগিব। বিজ্ঞানসন্মতভাৱে বিশেষজ্ঞৰ সহায়ত বান্দৰক উপযুক্ত ঠাইলৈ স্থানান্তৰ কৰাৰ ব্যৱস্থা অৱলম্বন কৰিব লাগিব তথা বান্দৰক আঁতৰাবৰ বাবে 'আলট্ৰাচাউণ্ড, 'লেজাৰ আৰু ইনফ্ৰা ৰেড' থকা বিশেষ যন্ত্ৰৰ ব্যৱহাৰ কৰিব লাগিব।

সঁচাকৈ আজিৰ পৰিৱেশত বান্দৰৰ উৎপাত এক সামাজিক সমস্যা হিচাপে দেখা দিছে। ইয়াৰ সমাধান কৰিবলৈ মানুহে প্ৰকৃতিলৈ সহৃদয় হ'ব লাগিব আৰু অৰণ্যৰ সংৰক্ষণৰ দিশত শুদ্ধ পৰিকল্পনা অনুসৰি সঠিক পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

**ম'বাইল ঃ** ৭০০২৭-৮১৮৪১

# বংশৰত সমাজকৰ্মী পৰেশ চন্দ্ৰ দাস শৈক্ষিক বঁটা প্ৰদান

## সমাজত শিক্ষিত মানুহতকৈ শিক্ষিত বিবেকৰ অধিক প্ৰয়োজন ঃ নৃপেন ভাগৱতী



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** শিক্ষিত মানুহ সদায় বিনয় স্বভাৱৰ হোৱা উচিত। কবি ৰবীন্দ্ৰ নাথ ঠাকুৰে কৈছিল পৃথিৱীত শিক্ষিত মানুহ বহুত, কিন্তু শিক্ষিত বিবেকৰ বহু অভাৱ। সেয়েহে সমাজত শিক্ষিত মানুহতকৈ শিক্ষিত বিবেকৰহে অধিক প্ৰয়োজন'। সমাজকৰ্মী পৰেশ চন্দ্ৰ দাস স্মৃতি ৰক্ষা সমিতিৰ উদ্যোগত ৮ নৱেম্বৰত ভৃঙ্গেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা দ্বিতীয় বাৰ্ষিক সমাজকৰ্মী পৰেশ চন্দ্ৰ দাস শৈক্ষিক বঁটা, ২০২৫ প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি শিশু সাহিত্য উত্তৰণ সমিতিৰ সভাপতি, সাহিত্যিক নৃপেন ভাগৱতীয়ে এনেদৰে মন্তব্য কৰে। কৃতি শিক্ষক ভগৱান বৈশ্যৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বঁটা প্ৰদান সভাত তেখেতে সামাজিক পৰিৱেশ উন্নত নহ'লে শক্তিশালী জাতি গঠন কেতিয়াও সম্ভৱ নহয় বুলিও কয়। উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ভৃঙ্গেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কীৰ্তি ছাত্ৰী কাকলি দেৱীক এখনি ফুলাম গামোছা, এখন মানপত্ৰ, এটি স্মাৰক, কিতাপৰ টোপোলা আৰু নগদ ধন সহ দ্বিতীয় বৰ্ষৰ বাবে বৃহত্তৰ বংশৰ অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী, শিক্ষক তথা ভৃঙ্গেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অন্যতম প্ৰতিষ্ঠাপক প্ৰয়াত পৰেশ চন্দ্ৰ দাস স্মৃতিত এই শৈক্ষিক বঁটা প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি কীৰ্তি ছাত্ৰী কাকলি দাসে শিক্ষাগুৰুসকল বিদ্যাৰ্থীৰ বাবে ঈশ্বৰ স্বৰূপ বুলি মন্তব্য কৰি এই বঁটা প্ৰাপ্তিয়ে উৎসাহিত কৰাৰ লগতে ভৱিষ্যতৰ বাবে সমাজৰ প্ৰতি অধিক দায়িত্ব কঢ়িয়াই অনা বুলি উল্লেখ কৰে। বিশিষ্ট অতিথিৰ বক্তব্যত সমাজকৰ্মী দেৱেন্দ্ৰ নাথ কাকতিয়ে প্ৰয়াত সমাজকৰ্মী গৰাকীৰ জীৱন আৰু কৃতি সম্পৰ্কে আলোকপাত কৰি নৱ-প্ৰজন্মক তেখেতৰ আদৰ্শৰে বাট বুলিবলৈ পৰামৰ্শ প্ৰদান কৰে। সভাত 'অসমীয়া প্ৰতিদিন' কাকতৰ জ্যেষ্ঠ উপ-সম্পাদক ফণীধৰ দাস, উত্তৰ কামৰূপ অনুসূচীত জাতি পৰিষদৰ সভাপতি গোলাক চন্দ্ৰ দাসো অতিথি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায়। শিক্ষক ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় বহু সংখ্যক নাগৰিক উপস্থিত থকা সভাখনত প্ৰয়াত সমাজকৰ্মী পৰেশ চন্দ্ৰ দাসৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰে উত্তৰ কামৰূপ অনুসূচিত জাতি পৰিষদৰ সভাপতি গোলোক চন্দ্ৰ দাস আৰু বন্তি প্ৰজ্বলন কৰে সমাজকৰ্মীগৰাকীৰ পত্নী উৰ্মিলা দাসে। আদৰণি ভাষণ আগবঢ়াই স্মৃতি ৰক্ষা সমিতিৰ সভাপতি তথা প্ৰয়াত পৰেশ চন্দ্ৰ দাসৰ মাজু পুত্ৰ ডাঃ শংকৰজ্যোতি দাসে। স্মৃতি ৰক্ষা সমিতিৰ সম্পাদক হৰ্ষবৰ্দ্ধন কাশ্যপে আঁত ধৰা অনুষ্ঠানটোত বৰগীত পৰিবেশন কৰে শিক্ষয়ত্ৰী বিভা ৰাণী বৈশ্যই।

# নগাঁৱৰ প্ৰান্তে প্ৰান্তে 'অন্ন সেৱা আঁচনি'ৰ ৰাজসাহাৰ্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ যোগানৰ শুভাৰম্ভ

**জয়ন্ত মুদৈ, নগাঁওঃ** সমগ্ৰ ৰাজ্যতে সোমবাৰৰ পৰা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত নতুনকৈ সংযোজন কৰা 'অন্ন সেৱা আঁচনি'ৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হৈছে। ইয়াৰ অংশহিচাপে নগাঁও জিলাৰ পশ্চিমাঞ্চলৰ প্ৰান্তে প্ৰান্তে এই আঁচনিখনৰ শুভাৰম্ভণি কৰা হয়। উল্লেখ্য যে, ৰাষ্টীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়ালৰ বাবে নতুন ৰাজসাহাৰ্যযুক্ত খাদ্য সামগ্ৰী প্ৰতি কেজি মচুৰ দাইল ৬৯ টকাত, চেনি ৩৮ টকাত আৰু নিমখ ১০ টকাত আজিৰে পৰা উপলব্ধ হ'ব। ইয়াৰ বিপৰীতে অহা পহিলা জানুৱাৰীৰ পৰা দাইল ৬০ টকাত, চেনি ৩০ টকাত আৰু নিমখ ১০ টকাত উপলব্ধ হ'ব। তদুপৰি খাদ্য সুৰক্ষাৰ পৰা পৰিপুষ্টিৰ নিশ্চিতলৈ ব্যৱস্থাৰ জৰিয়তে প্ৰতি মাহে ১-১০ তাৰিখলৈ অন্ন সেৱা দিনতে গ্ৰাহকে লাভ কৰিব। তদুপলক্ষে এই আচঁনিখনৰ শুভাৰম্ভণি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাৰ বেবেজীয়া, জাজৰি, চকলাঘাট, ৰাইদঙীয়া, দক্ষিণপাট, বৰক'লা, ডিমৌ, জামুগুৰি, কাকমাৰী, কুৰুৱাবাহী, কাছমাৰী, বটদ্ৰৱা, ভোমোৰাগুৰি, হাতীচোং আদি গ্ৰামাঞ্চলটো কৰা হয়। এই মৰ্মে পুৱাৰে পৰা উক্ত গ্ৰামাঞ্চলবোৰ এক ব্যস্ততামুখৰ পৰিৱেশৰ সৃষ্টি হয়। উক্ত অঞ্চলবোৰত থকা সুলভ মূল্যৰ দোকানীসকলে এই আঁচনিৰ শুভাৰম্ভণি অনুষ্ঠান হিতাধিকাৰীসকলক আমন্ত্ৰণ কৰি অনুষ্ঠিত কৰাৰ লগতে বিভাগীয় নিয়মানুসাৰি এই আঁচনিৰ সামগ্ৰীবোৰ নিয়াৰিকৈ হিতাধিকাৰীসকলক বিতৰণ কৰে। এইদৰে ঘৰুৱা অত্যাৱশ্যকীয় সামগ্ৰী সুলভ মূল্যত পাই স্বাভাৱিকতেই হিতাধিকাৰীসকল উৎফুল্লিত হৈ সুখ অনুভৱ কৰাৰ লগতে সকলোৰে মাজত দেখা যায় আত্মসন্তুষ্টিৰ হাঁহি। ইফালে, বটদ্ৰৱা বৰহিছা গাঁৱৰ দুই নং ৱাৰ্ডত থকা পংকজ কলিতাৰ সুলভ মূল্যৰ দোকানত অনুষ্ঠিত শুভাৰম্ভনি অনুষ্ঠানত ৰাইডঙীয়া-বটদ্ৰবা গাঁও পঞ্চায়তৰ ৱাৰ্ড মেম্বাৰ দীপশিখা কলিতাই এই ৰাজসাহাৰ্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ যোগান আঁচনিৰ শুভাৰম্ভণি কৰে। সাংবাদিক কন্দৰ্প কুমাৰ কলিতাই আঁত ধৰা অনুষ্ঠানটিত সমাজকৰ্মী মোহন বৰুৱাকে আদি কৰি শতাধিক লোক উপস্থিত থাকে। সেইদৰে, ৰাইদঙীয়া সমবায় সমিতিৰ খুচুৰা বিক্ৰী কেন্দ্ৰ প্ৰাংগনত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়ালৰ বাবে নতুন ৰাজসাহায্য খাদ্য সামগ্ৰী এক অনুষ্ঠানৰ জৰিয়তে বিতৰণ কৰে। এই খাদ্য সামগ্ৰী বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে ৰাইদঙীয়া-বটদ্ৰৱা গাঁও পঞ্চায়তৰ সভাপতি তৰুণ কলিতাই। অনুষ্ঠানত ৰাইদঙীয়া সমবায় সমিতিৰ সভাপতি অনন্ত বৰা, সম্পাদক পাপু মনি দাস, উপ-সভাপতি প্ৰবীন কলিতা, সহায়ক পংকজ কাকতিৰ লগতে বহুসংখ্যক হিতাধিকাৰী উপস্থিত থাকে।

# ৰোহনৰ জীৱনৰ প্ৰথম পৰীক্ষা

■ **নিখিল কলিতা**, শুৱালকুছি

**এ**খন চহৰত এজন শিক্ষক আছিল। শিক্ষকজনৰ নাম আছিল গজেন। গজেন এজন চৰকাৰী বিদ্যালয়ৰ গণিতৰ শিক্ষক। তেওঁ বিদ্যালয়খনৰ কৰ্মৰত। এনেকৈ তেওঁ নিজৰ পৰিয়ালৰ লগত জীৱন-যাপন কৰি আহিছে। গজেনৰ দুটা পুত্ৰ। প্ৰথম পুত্ৰটো নাম আছিল প্ৰীতম আৰু দ্বিতীয় পুত্ৰ নাম আছিল ৰোহন। প্ৰীতমে এম. এ (মাষ্টাৰ ডিগ্ৰী) সুখ্যাতিৰে উত্তীৰ্ণ হৈ চৰকাৰী কামত নিয়োজিত হয়। ৰোহনে এইবাৰ মেট্ৰিক পৰীক্ষা দিব। ছাত্ৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পৰীক্ষাত তেওঁ অৱতীৰ্ণ হ'ব। ৰোহনে এই পৰীক্ষা বাবে পঢ়ি আছে কিন্তু সি ভয় খাই আছে পৰীক্ষা কেনে হ'ব, ফলাফল কেনেকুৱা হ'ব, পাছ কৰিব পাৰিম নে আটাই চিন্তা-ভাৱনাৰে তেওঁক হতাশ কৰিছে। তেওঁ নিজৰ মাকক কৈছে- মা, মই মেট্ৰিক পৰীক্ষা দিব নোৱাৰিম। মোৰ ভয় লাগি আছে মোৰ পৰীক্ষা কেনে হ'ব? তেতিয়া মাকে চিন্তা পৰিল, তেওঁ নিজৰ পুত্ৰৰ কথাটো কেনেদৰে সমাধান কৰে। তেতিয়া মাকে সকলো কথা ৰোহনৰ দেউতাকক জনালে। দেউতাকে সকলো বুজি ৰোহনক মাতি আনি ক'লে- বোপাই, ভয় খাব লগা একো নাই, ভয়ে মানুহক দুৰ্বল কৰায় আৰু সেই কাৰণে মানুহে হতাশাত ভোগে। পৰীক্ষা আহিলেই ভয় খাব নালাগে, কিয়নো পৰীক্ষা আহিব আৰু যাব। অকল এইটো মেট্ৰিক পৰীক্ষা বুলি নহয়, জীৱনত বহুতো প্ৰতিযোগিতামূলক পৰীক্ষা আছে সেইকাৰণে সকলো ভেদ কৰি আগবাঢ়ি যাব লাগিব। আত্মবিশ্বাস থাকিলে ভয়ে একো কৰিব নোৱাৰে। মনত আত্মবিশ্বাস ভাব থাকিলে পৰীক্ষাত সকলো লিখিব পাৰিবা। দেউতাকৰ কথাত ৰোহনে বুজি পালে।

তাৰ মনত আত্মবিশ্বাস ভাব আহিল আৰু সি একো ভয় নকৰাকৈ মেট্ৰিক পৰীক্ষা ভালদৰে দিলে। তাৰ মেট্ৰিক পৰীক্ষা ফলাফল ভাল হ'ল আৰু ৰোহনে সুখী হ'ল। নীতিশিক্ষা ঃ আত্মবিশ্বাস থাকিলে সকলো কাম নিয়াৰিকৈ কৰিব পাৰি।

### চকলাঘাটত পুৰুষৰ মহাৰাসে মোহিলে অগণন দৰ্শকক

# খোল-তাল-বাঁহীৰ সুৰত দ্বিতীয় বৈকুণ্ঠলৈ পৰ্যবসিত হ'ল উৎসৱস্থলী



**জয়ন্ত মুদৈ, নগাঁও ঃ** ৰাস মহোৎসৱ হৈছে জীৱাত্মা আৰু পৰামাত্মাৰ মিলনৰ উৎসৱ। শৰৎ কালৰ বিতোপন চন্দ্ৰাৱালী নিশা ৰাসৰ জৰিয়তে গোপীসকলে প্ৰকাশ কৰে কৃষ্ণ ভক্তিৰ উৎকৃষ্ট নিৰ্দৰ্শন। আনকি, এই ৰাস মহোৎসৱৰ জৰিয়তে নান্দনিক ৰূপত প্ৰেম আৰু ভক্তিভাবৰ উপস্থাপন কৰা হয়। সেয়ে পূৰ্ব পৰম্পৰা অক্ষুন্ন ৰাখি এতিয়া প্ৰান্তে প্ৰান্তে উদ্‌যাপিত ৰাস মহোৎসৱৰ উপলক্ষে সমগ্ৰ ৰাজ্য কৃষ্ণ বন্দনাৰে মুখৰ হৈ পৰিছে। গাঁও-চহৰ সকলোতে উদ্ভাসিত হৈছে ব্যাপক উৎসাহ-উদ্দীপনা পয়োভৰ। ইয়াৰ ব্যতিক্ৰম নহয় নগাঁও জিলাও। জিলাখনৰ সৰ্বত্ৰে এতিয়া ৰাস মহোৎসৱক কেন্দ্ৰ কৰি অব্যাহত আছে আনন্দ-উছাহ। ইয়াৰ অংশহিচাপে জিলাখনৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাটত দেওবাৰে নিশা ৰাস মহোৎসৱ উপলক্ষে পৰিৱেশ উখল-মাখল হৈ পৰে। কিয়নো বিগত বৰ্ষৰ দৰে এইবাৰো চকলাঘাটৰ ইয়ং ষ্টাৰ ক্লাৱৰ উদ্যোগত অনুষ্ঠিত কৰা হয় পুৰুষৰ মহাৰাস । যাৰ ফলত সন্ধিয়াৰে পৰা বিভিন্ন প্ৰান্তৰ পৰা অহা অগণন লোকৰ সমাগৰে উৎসৱস্থলী চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ জনসমুদ্ৰত পৰিণত হৈ পৰে। কন কন শিশু, মহিলা, আৱাল-বৃদ্ধ-বণিতাৰ সমাগমেৰে একপ্ৰকাৰে মহাৰাসৰ বাকৰি পৰিণত হৈ পৰে সম্প্ৰীতিৰ মিলনভূমিত। সুমধুৰ সংগীত, মনোমোহা দৃশ্যসজ্জা আৰু নানা ৰঙী আলোকৰ মায়াজালত বেছ উপভোগ্য হৈ পৰা এই মহাৰাসে সৰ্বস্তৰৰ দৰ্শকক মোহাচ্ছন্ন কৰি তুলিবলৈ সক্ষম হয়। ইয়াৰে কৃষ্ণ আৰু শংখচূড়ৰ চৰিত্ৰ দুটাৰ বলিষ্ঠ অভিনয়ে সকলোকে মন্ত্ৰমুগ্ধ কৰি তোলাৰ বিপৰীতে ৰাধা, পুতনা, যশোদা, মোহিনী আদি চৰিত্ৰৰ লগতে প্ৰতিজন পুৰুষ শিল্পীয়েই সুন্দৰ সাজ-সজ্জাৰে গোপীৰ ৰূপত সুন্দৰ নৃত্য আৰু অভিনয় প্ৰদৰ্শনেৰে দৰ্শকসকলক অন্তিম সময়লৈকে প্ৰেক্ষাগৃহত আবদ্ধ কৰি ৰাখিবলৈ সক্ষম হয়। মুঠতে আকৰ্ষণীয় নৃত্য-গীতৰ সমান্তৰালভাৱে খোল-তাল, বাঁহীৰ সুৰত নিশাটোৰ বাবে দ্বিতীয় বৈকুণ্ঠলৈ পৰ্যবসিত হৈ পৰে চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰৰ মহাৰাসৰ বাকৰি। ইফালে, মহাৰাস প্ৰদৰ্শনৰ পূৰ্বে উদ্যোক্তা সমিতিৰ ফালৰ পৰা আমাৰ মাজৰ পৰা অকালতে মহাপ্ৰয়াণ ঘটা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱা হয়। মৰমৰ শিল্পীজনৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণৰ লগতে উপস্থিত সকলোৱে ইতিমধ্যে প্ৰাৰ্থনালৈ ৰূপান্তৰিত হোৱা শিল্পীজনৰ অমৰ সৃষ্টি 'মায়াবিনি ৰাতিৰ বুকুত' শীৰ্ষক গীতটি সমস্বৰে সমবেতভাৱে পৰিৱেশন কৰি এক আৱেগিক পৰিৱেশৰ সৃষ্টি কৰে।

# মাষ্টাৰমাইণ্ড এৱাকাছৰ উদ্যোগত ৰাজ্যিক পৰ্যায়ৰ 'এৱাকাছ' প্ৰতিযোগিতা




**ৰমেন ভৰালী, বংশৰ ঃ** মাষ্টাৰমাইণ্ড এৱাকাছৰ উদ্যোগত ৰাজ্যিক পৰ্যায়ৰ 'এৱাকাছ' প্ৰতিযোগিতা (অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড আৰু মণিপুৰ)ত গুৱাহাটী জ্যোতি চিত্ৰবনত অনুষ্ঠিত হোৱা শিক্ষা মাষ্টাৰমাইণ্ড এৱাকাছ, বংশৰৰ ছাত্ৰ তথা অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক ৰমেন ভৰালী আৰু শিক্ষয়িত্ৰী বিজয়া দাসৰ দ্বিতীয় পুত্ৰ ৰাগ ঐনিতম ভৰালীয়ে Level-2 পৰ্যায়ত অসমৰ ভিতৰতে তৃতীয় পুৰস্কাৰ লাভ কৰি গৌৰৱ কঢ়িয়াই আনিছে। শিক্ষা মাষ্টাৰমাইণ্ড এৱাকাছ, বংশৰৰ পৰা শিক্ষক মুনমুন তালুকদাৰৰ তত্বাৱধানত যোৱা ছাত্ৰ-ছাত্ৰী সকলৰ ভিতৰত প্ৰজ্ঞান দ্বীপ শৰ্মা, মৌচম আজিজ (level-4) ত, আৰ্চিচ মান মধুকুল্য, হৃষিমান কুমাৰ, কৃষানু পাঠক (level-2)ত, খ্যাতজিৎ কলিতা, আৰু প্ৰিন্স কলিতা (level-1)ত অংশগ্ৰহণ কৰি উদ্‌গনিমূলক বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। শিক্ষা মাষ্টাৰমাইণ্ড এৱাকাছ, বংশৰৰ পৰিচালন সঞ্চালিকা পূৰৱী শৰ্মা আৰু দীপা সেন গুপ্তাই ছাত্ৰ-ছাত্ৰীসকলক শুভ কামনা জনাইছে।




Janasanyog RO no 2985/25/14-November-25

# বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰে শুৱালকুছিত ৰাস মহোৎসৱৰ আৰম্ভ

## শুৱালকুছিৰ ৰাস মহোৎসৱ এক সমন্বয়ৰ প্ৰতীক ঃ ৰাজীৱ দাস



**ৰমেন ভৰালী, বংশৰ ঃ** শুৱালকুছি সাৰ্বজনীন ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত বস্ত্ৰনগৰী শুৱালকুছিৰ সেউজ বালিচৰত এঘাৰ দিনীয়াকৈ তেত্ৰিশ সংখ্যক বৰ্ষৰ বাবে অনুষ্ঠিত হৈছে ভগৱান শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ। পুৱা ৯ বজাত পতাকা উত্তোলন কৰি ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি ৰাজীৱ দাসে শুৱালকুছিৰ ৰাস মহোৎসৱ এক সমন্বয়ৰ প্ৰতীক। ইয়াত কোনো পূজা পাতল নহয়। সকলো ধৰ্মৰ লোক ইয়াত সমৱেত হৈ এক সমন্বয়ৰ সৃষ্টি কৰে। শিপিনী বোৱনী সকলোৰে শুৱালকুছিৰ ৰাস উপভোগ কৰি এক বিমল আনন্দ লাভ কৰে। অসমৰ বিভিন্ন প্ৰান্তৰ লোক সকলে শুৱালকুছিৰ ৰাসত আহি এক শান্তি সম্প্ৰীতিৰ বাণী লৈ যায়। সভাপতি গৰাকীয়ে ৰাস মহোৎসৱৰ দিন কেইটা সকলোৰে পূৰ্ণ সহযোগ কামনা কৰে। ইয়াৰ লগে লগে আন তেত্ৰিশখন পতাকা উত্তোলন কৰে শুৱালকুছিৰ বিশিষ্ট ব্যক্তি আৰু ৰাস উদ্‌যাপন সমিতিৰ বিষয়ববীয়াই। পতাকা উত্তোলনৰ সময়ত স্থানীয় শিল্পী সকলে সমৱেত সংগীত পৰিৱেশন কৰি পৰিৱেশটো জীপাল কৰি তোলে। দিনৰ ১০ বজাত মূল কাৰ্যালয় মুকলি কৰে সভাপতি ৰাজিৱ দাসে আৰু বন্তি প্ৰজ্বলন কৰে বয়োজ্যেষ্ঠ নাগৰিক তথা বিশিষ্ট নাগৰিক দীনেশ চন্দ্ৰ বৈশ্যই। গছপুলি ৰোপণ কৰে শুৱালকুছি মণ্ডল বিজেপিৰ সভাপতি ধীৰাজ মহন্ত, সভাপতি ৰাজিৱ দাস আৰু কাৰ্যকৰী সভাপতি সমীন্দ্ৰ দাসে। সন্ধিয়া বৰ্ণাঢ্য শোভাযাত্ৰা উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী ড° কেশৱ কলিতাই। উদ্বোধনী ভাষণত তেওঁ কয় যে শুৱালকুছিৰ ৰাস মহোৎসৱ এক সমন্বয় থলী । ইয়াত সকলো শ্ৰেণীৰ লোকে নিৰ্বিঘ্নে ৰাস উপভোগ কৰিব পাৰে। বিগত ৩২ বছৰে সুন্দৰ আৰু সফলতাৰে সমাপ্ত হোৱা ৰাস মহোৎসৱে ইয়াকে প্ৰমাণ কৰিছে। ভাষণত তেওঁ কৃষ্ণ সংস্কৃতিৰ ওপৰত কিছু তত্বগধুৰ বক্তব্যৰে সকলোকে আকৰ্ষিত কৰে। তেওঁ শুৱালকুছিৰ ৰাস মহোৎসৱ চাবলৈ সকলোকে আহ্বান জনায়। আকৰ্ষণীয় শোভাযাত্ৰাত বেণ্ড, ঢোল, গায়ন বায়ন, ঘোঁৰা, নামৰ দল, ওজাপালি, জিকিৰ, বিহু নৃত্য, জনগোষ্ঠীয় নৃত্যৰ দল, ভাওনা, মহোহো, ৰাধা কৃষ্ণৰ যুগল মূৰ্ত্তি, সমৰ কলা দল, এন চি চি দলৰ লগতে বিভিন্ন নামপাৰ্টীৰ দলে অংশগ্ৰহণ কৰে। আনহাতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শোভাযাত্ৰাত অংশগ্ৰহণ কৰি সমগ্ৰ পথতে অমৃতকণ্ঠ জুবিনৰ 'মায়াবিনী' সংগীতটি পৰিৱেশন কৰি এক বিশেষ আকৰ্ষণৰ সৃষ্টি কৰে। বিশেষকৈ শুৱালকুছি এম ভি স্কুলৰ ছাত্ৰ ছাত্ৰীসকলে জুবিন দা জিন্দাবাদ ধ্বনিৰে শুৱালকুছিৰ আকাশ বতাহ মুখৰ কৰি তোলে। শোভাযাত্ৰাত মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, বিজেপিৰ জ্যেষ্ঠ কৰ্মী প্ৰকাশ চন্দ্ৰ দাস উপস্থিত থাকে। মুখ্য দ্বাৰ উদ্বোধন কৰে শুৱালকুছি হাটীসত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্তই।

# পৰ্যটকৰ বাবে মুকলি হ'ল কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ভোমোৰাগুৰি পৰিৱেশ পৰ্যটন এলেকা

**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ বিশ্বনাথ বন্যপ্ৰাণী সংমণ্ডলৰ অন্তৰ্গত ভোমোৰাগুৰি পৰিৱেশ পৰ্যটন এলেকা চলিত পৰ্যটন বৰ্ষৰ বাবে আনুষ্ঠানিকভাৱে ৯ নৱেম্বৰত পুনৰ মুকলি কৰা হয়। এই উপলক্ষে ভোমোৰাগুৰিত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত আয়োজিত উদ্বোধনী অনুষ্ঠানত তেজপুৰ সমষ্টিৰ বিধায়ক পৃথিৰাজ ৰাভা উপস্থিত থাকি বিশ্বৰ পৰ্যটকসকলৰ বাবে এই পৰিৱেশ-পৰ্যটন অঞ্চলটো আনুষ্ঠানিকভাৱে মুকলি কৰে। বিশ্ব প্ৰকৃতি নিধিৰ বিশেষ সহযোগত আয়োজিত অনুষ্ঠানৰ শুভাৰম্ভ কাজিৰঙাৰ কৰ্তৃপক্ষৰ তৰফৰ পৰা অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি প্ৰদান কৰা হয়। উদ্বোধনী অনুষ্ঠানত স্থানীয় পাৰিপাৰ্শ্বিক উন্নয়ন সমিতিৰ প্ৰতিনিধি আৰু স্থানীয় বিদ্যালয়ৰ ৩০ জনৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত কাজিৰঙাৰ ক্ষেত্ৰ সঞ্চালক ড° সোণালী ঘোষ, বিশ্বনাথ বন সংমণ্ডলৰ ডি এফ অ' ঋতু পৰন বৰা, নামেৰী, কাজিৰঙা, নগাওঁ আৰু সামাজিক বনানিকৰণ বিভাগৰ ডি এফ অ'ৰ উপৰিও বনাঞ্চলিক বিষয়া সকল আৰু বনকৰ্মীৰ লগতে স্থানীয় গাঁও পঞ্চায়তৰ প্ৰতিনিধিও উপস্থিত থাকে। ভোমোৰাগুৰিৰ এই পৰিৱেশ-পৰ্যটন অঞ্চলটোত পৰ্যটকৰ বাবে আকৰ্ষণ হৈছে জীয়া ভৰলী আৰু ব্ৰহ্মপুত্ৰ নদীৰ সংগমস্থলত নৌকা বিহাৰ আৰু বিলুপ্তপ্ৰায় নদী ডলফিন দৰ্শন। অঞ্চলটোত কেতিয়াবা বিলুপ্তপ্ৰায় ঘৰিয়ালৰ দৰ্শনৰ সুযোগ পৰ্যটকে পাব পাৰে। লগতে ভোমোৰাগুৰি সংৰক্ষিত বনাঞ্চলৰ সেউজীয়া পাহাৰ আৰু আকৰ্ষণীয় শিলৰ গঠনৰ মনোৰম দৃশ্য উপভোগ কৰাৰো সুযোগ পাব পৰ্যটকে। অনুষ্ঠানতে চলিত পৰ্যটন বৰ্ষৰ বাবে কাজিৰঙাৰ কৰ্তৃপক্ষই পৰ্যটকৰ সুবিধাৰ বাবে ভোমোৰাগুৰিত স্থানীয় পাৰিপাৰ্শ্বক উন্নয়ন সমিতিৰ দ্বাৰা পৰিচালিত পৰম্পৰাগত খাদ্যৰ শিহু নামৰ এখন ৰেষ্টুৰেণ্ট আৰু এটা ইক'-শ্বপো মুকলি কৰিছে। অনুষ্ঠানৰ শেষত পৰ্যটক আৰু ছাত্ৰ-ছাত্ৰীক নৌকা বিহাৰ কৰা হয়।

# কামৰূপ জিলাত ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান



**ৰমেন ভৰালী, বংশৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে কামৰূপ জিলাতো ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু বাৰ্ষিকী উপলক্ষে কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি এক স্মৃতি তৰ্পণ অনুষ্ঠানৰ আয়োজন কৰা হয়। চাংসাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত জিলা পৰ্যায়ত মূল কাৰ্যসূচী অনুষ্ঠিত হয়। মহান শিল্পীগৰাকীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্য চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন আদি বিভাগৰ মন্ত্ৰী তথা কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকি মহান শিল্পীগৰাকীয়লৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসমৰ কেইবাপ্ৰজন্মৰ শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি ৰখা শিল্পী গৰাকীলৈ গুৱাহাটীৰ খানাপাৰাত অনুষ্ঠিত হৈ যোৱা ড° ভূপেন হাজৰিকাৰ বছৰজোৰা জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ অনুষ্ঠানত অংশগ্ৰহণ কৰা কামৰূপ জিলাৰ শিল্পীৰ দ্বাৰা ১৭ মিনিটৰ সমৱেত সংগীত পৰিৱেশন কৰা হয়। ইয়াৰ উপৰিও প্ৰায় পাঁচহাজাৰৰো অধিক লোকৰ অংশগ্ৰহণেৰে এক মানৱ-শৃংখল সৃষ্টি কৰি কালজয়ী 'মানুহে মানুহৰ বাবে' গীতটি সমৱেতভাৱে পৰিৱেশন কৰা হয়। অনুষ্ঠানত মুখ্যঅতিথি হিচাপে উপস্থিত থাকি মন্ত্ৰী পাটোৱাৰীয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্মৰাজী সামৰি বক্তব্য প্ৰদান কৰে। কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত হাজো সমষ্টিৰ বিধায়িকা সুমন হৰিপ্ৰিয়া, কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাস, কামৰূপ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সঞ্জীৱ কুমাৰ শইকীয়া, কামৰূপ জিলা পৰিষদৰ মুখ্যকাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, মুখ্যমন্ত্ৰী বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, অতিৰিক্ত আয়ুক্ত সকল ক্ৰমে গাৰ্গ মহন দাস, মুনমী কলিতা, সুজাতা গগৈ, প্ৰাণজিত কুমাৰ দেৱ সহকাৰী আয়ুক্ত সকল, বিশিষ্ট সমাজকৰ্মী প্ৰকাশ দাস, ভাস্কৰ কলিতা, জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰী, কামৰূপ জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় পাঁচ সহস্ৰাধিক মহিলাৰ লগতে স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। সমান্তৰালকৈ সুধাকণ্ঠৰ মৃত্যু বাৰ্ষিকী উপলক্ষে ৰঙিয়া সম-জিলাৰ উদ্যোগত সংগম সংঘ, ৰঙিয়াত আৰু পলাশবাৰী সম-জিলাৰ উদ্যোগত শ্বহীদ ভৱন, মিৰ্জাত স্মৃতি তৰ্পণ অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অন্যহাতে আমিনগাঁৱৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ত সমীপত থকা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিত পুৱাই প্ৰথমে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই।

# অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱ

## চৰাইদেউৰ সোণাৰিত 'সুৱাগ-তোলা' অনুষ্ঠান সম্পন্ন

**ৰমেন ভৰালী, বংশৰ ঃ** অসম সাহিত্য সভা জাকৰ পিছপৰা চৰাই নহয়, একেবাৰে প্ৰথমে বাট দেখুৱাই যোৱা চৰাইহে অসম সাহিত্য সভা। অসম সাহিত্য সভাৰ উদ্যোগত, চৰাইদেউ জিলা সাহিত্য সভাৰ ব্যৱস্থাপনাত সোণাৰি আৰু শান্তিপুৰ শাখা সাহিত্য সভাৰ আতিথ্যত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱ উপলক্ষে 'সুৱাগ-তোলা' অনুষ্ঠানৰ মুকলি সভাত সভাপতিত্ব কৰি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে এইদৰে কয়। তেওঁ লগতে কয় যে লিখিব পৰাটো পৰম ভাগ্য, সেয়ে আমি সকলোৰে লিখিবলৈ যত্ন কৰিব লাগে। চৰাইদেউ জিলাৰ সোণাৰি ৰাজহুৱা প্ৰেক্ষাগৃহত যোৱা ২ নৱেম্বৰ দেওবাৰে অনুষ্ঠিত সভাখন উদ্বোধন কৰে বিশিষ্ট কবি, সাহিত্যিক, বুৰঞ্জীবিদ প্ৰেম গগৈয়ে। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ পালনে ইতিহাস সৃষ্টি কৰিছে বুলি উল্লেখ কৰি সভাৰ উদ্দেশ্য আৰু তাৎপৰ্য ব্যাখ্যা কৰা সভাখনত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম সাহিত্য সভাৰ পৰম সুহৃদ হিতৈষী সভ্যপদ গ্ৰহণ কৰে। সভ্যপদ গ্ৰহণ কৰি তেওঁ কয় যে অসম সাহিত্য সভাই এইবাৰৰ কাৰ্যবৰ্ষত বহুতো উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে, এই যাত্ৰাত আমাৰ সহযোগিতা আছে। অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা, কৰ্ণধাৰ সমিতিৰ সদস্য ড° অনিল শইকীয়া, চৰাইদেউ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতিদ্বয় ৰতিপ্ৰভা গগৈ আৰু নিৰঞ্জন ফুকন, সোণাৰি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰবিন কোঁৱৰ, শিক্ষাবিদ তথা সমাজকৰ্মী বিপিন শৰ্মা, অসম সাহিত্য সভাৰ বিত্ত উপ-সমিতিৰ আহ্বায়ক গোবিন্দ কলিতা, অনুবাদ প্ৰকল্পৰ সঞ্চালক হৃদয়ানন্দ গগৈ, কুঁহি উপ-সমিতিৰ কাৰ্যকৰী সভাপতি মৃণাল হাজৰিকা, ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক সুনীল গুৰুঙ, প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথ, স্বজাতীয় মৈত্ৰীবন্ধন উপসমিতিৰ আহ্বায়ক ৰমেন ভৰালী, তথ্য প্ৰযুক্তি উপ-সমিতিৰ আহ্বায়ক স্বৰ্গজ্যোতি চেতিয়া, হাস্য-ব্যংগ উপ-সমিতিৰ আহ্বায়ক জিতুল বৰা, কাৰ্যনিৰ্বাহক সদস্য অঞ্জনা গগৈ, যোৰহাট জিলা সাহিত্য সভাৰ জিলা প্ৰতিনিধি উত্তম কুমাৰ হাজৰিকা, স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ কেন্দ্ৰীয় সদস্য পূৰৱী বৰুৱা ফুকন, যোৰহাট তৰাজান শাখা সাহিত্য সভাৰ সভাপতি জোনা দত্ত প্ৰমুখ্যে বহু সংখ্যক বিষয়ববীয়াই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ থাকে। ইয়াৰ পিছতে আবেলি ৩ বজাত বিশিষ্ট অতিথিসকলে দীপালী দত্ত শইকীয়াৰ সম্পাদনাত স্মাৰক গ্ৰন্থ 'চন্দ্ৰজ্যোতি', নিৰু কাকতিৰ গল্প সংকলন 'বাখৰ', কবিতা পুথি ক্ৰমে ৰাতুল চেতিয়া ফুকনৰ 'বিষয় মানুহ ইত্যাদি', আৰতি বৰাৰ 'আলি কেঁকুৰিত বৈ', ৰিন্টু টায়েৰ 'কাঞ্চনমতী নুফুৰিবা ৰাতি', ৰঞ্জিত কুমাৰ বুঢ়াগোহাঁইৰ 'প্ৰাপ্তি-অপ্ৰাপ্তিৰ পৰা ব্যাপ্তিলৈ', পুষ্পাঞ্জলি কলিতাৰ 'স্পন্দন', ডাঃ নিৰঞ্জন দাসৰ 'শব্দ বসন্তৰ টিপচী চৰাইজনী', ভীমবৰ পাতিৰিৰ 'অহা যোৱা বাটৰ কবিতা', বৰ্ণালী আৰন্ধৰাৰ 'সপোনৰ সমাধিত হেঁপাহৰ সূৰ্যোদয়', ড° দীপাংকৰ মালাকাৰৰ 'অনুভৱৰ ৰং', ভোগেশ্বৰ গগৈৰ 'শতদল'; প্ৰবন্ধ সংকলন ক্ৰমে মাখনী গোস্বামীৰ 'লেছেৰি বুটলা প্ৰবন্ধ এমুঠি', অমিয়া গগৈ সোণোৱালৰ 'বাৰিধি', মুকুট বৰগোহাঁইৰ 'সঞ্চয়ন', ফণীন্দ্ৰ চেতিয়াৰ 'প্ৰবন্ধ সমীক্ষা', কল্পনা বৰুৱাৰ 'চিন্তা তৰংগ'; ডিম্বেশ্বৰ কোঁৱৰৰ দুখন নাটক ক্ৰমে 'সমাধিত প্ৰেমৰ চকুলো' আৰু 'সেন্দুৰ' শীৰ্ষক স্মাৰক গ্ৰন্থ আৰু ১৭ জন কবি-লেখক-সাহিত্যিকৰ সৰ্বমুঠ ১৯খন গ্ৰন্থ উন্মোচন কৰা হয়। চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা সভাখনৰ আঁত ধৰে অসম সাহিত্য সভাৰ প্ৰকাশন আহ্বায়ক তথা চৰাইদেউ জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সম্পাদক ড° ৰঘুনাথ কাগয়ুঙে। জাতীয় সংগীত পৰিৱেশনৰে সফল সমাপ্তি ঘটা সভাখনত শলাগৰ শৰাই আগবঢ়াই চৰাইদেউ জিলা সাহিত্য সভাৰ সম্পাদক বিপুল বৰুৱাই।

# অন্ধবিশ্বাস আৰু কু-সংস্কাৰ নিৰাময়ত মহিলাৰ ভূমিকা

■ ইন্দিৰা গগৈ ফুকন
শিমলুগুৰি, লখিমপুৰ

**অ**ন্ধবিশ্বাস আৰু কু-সংস্কাৰ হৈছে সমাজৰ মাৰাত্মক ব্যাধি। এই দুবিধৰ কবলত পৰি বহুতে ককবকাব লাগিছে বা কোনোবে মৃত্যু পৰ্যন্ত সাৱটিব লগা হৈছে। অতি পৰিতাপৰ কথা যে এই অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ প্ৰায়ে বলি হ'ব লগা হয় আমাৰ মহিলাসকলেই। অতি প্ৰাচীন কালৰে পৰা আমাৰ সমাজত অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ প্ৰচলন থকা বুলি জনা যায়। ঋকবেদৰ সময়ত নাৰীৰ যি মৰ্যাদা অৰ্থব বেদৰ সময়ত সেই মৰ্যাদা বহুখিনি ম্লান হৈ পৰিল। অৰ্থব বেদত স্বামীৰ মৃত্যুৰ পিছত পত্নীয়ে চিতাৰ জুইত পৰি সহমৰণক আকোঁৱালি লোৱা কথা উল্লেখ পোৱা যায়। নাৰীসকলৰ জীয়াই থকাৰ এই মানবীয় অধিকাৰকণো সমাজে কাঢ়ি নিলে। নাৰী জাতিৰ প্ৰতি এনে অবিচাৰ বহু যুগ ধৰি চলিল। এই কু-সংস্কাৰবিধ নাৰীসকলৰ মনমগজুত এনে ভাৱে সুমুৱাই দিয়া হ'ল যে স্বামীৰ চিতাৰ জুইত আত্মজাহ দিলে স্বৰ্গপ্ৰাপ্তি হয়। ইংৰাজসকল ভাৰতবৰ্ষলৈ অহাৰ পিছত আইন প্ৰণয়ন কৰি এই সতীদাহ প্ৰথা বন্ধ কৰি দিয়ে।

মধ্যযুগত নাৰীসকলৰ অবস্থা বিশেষ উন্নত নহ'ল, বৰঞ্চ আৰু বেছি শোচনীয়হে হ'ল। জ্ঞান, বুদ্ধি আৰু প্ৰজ্ঞাৰ সাধনাৰ পৰা বঞ্চিত কৰি নাৰীসকলক সম্পূৰ্ণ পুৰুষৰ অধীনত ৰাখি দাসীৰ দৰে ব্যৱহাৰ কৰিবলৈ ল'লে। বহু যুগ ধৰি সমাজ এনেদৰে চলি থাকিল। নাৰী আৰু পুৰুষৰ মাজত বৈষম্যৰ ওৰ নপৰিল। শিক্ষাৰ পৰা বঞ্চিত কৰি নাৰীসকলক আন্ধাৰৰ অটল গহ্বৰলৈ পেলাই দিয়া হ'ল।

ঊনবিংশ শতিকাৰ শেষাৰ্ধত নাৰীসকলৰ সামাজিকভাৱে কিছু পৰিমাণে উন্নত হ'ল। এই ক্ষেত্ৰত জাতিৰ পিতা মহাত্মা গান্ধী, স্বামী বিবেকানন্দ, শৰৎচন্দ্ৰ, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ আদি মনীষিসকলৰ ভূমিকা স্বীকাৰ কৰিব লগীয়া।

বৰ্তমান পৰিৱৰ্তনশীল সময়ে নাবী সমাজলৈও পৰিৱৰ্তন কঢ়িয়াই অনা দেখা গৈছে। শিক্ষা-দীক্ষা, সমাজ, ৰাজনীতি, অৰ্থনীতি বিজ্ঞান সকলো ক্ষেত্ৰতে মহিলাসকলে দক্ষতা দেখুৱাবলৈ সক্ষম হৈছে। কিন্তু কিছুমান অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ পৰা আমাৰ মহিলাসকল আজিও মুক্ত হ'ব পৰা নাই। ধৰ্মীয় ক্ষেত্ৰত কোনো ধৰ্মীয় সংগঠনৰ মুৰব্বী পদত মহিলাক অধিস্থিত কৰা দেখা নাযায়। নামঘৰৰ লাইফুটাৰ কাষত পুৰুষ-মহিলা উভয়ে উপস্থিত থকা সময়ত মহিলা এগৰাকীক কিন্তু বহিবলৈ দিয়া নহয়। কিছুমান সমাজত আনকি নামঘৰৰ মণিকূটলৈও মহিলাৰ প্ৰৱেশ নিষিদ্ধ। অন্যহাতেদি মহিলাসকলে ধুই-পখালি পৰিস্কাৰ কৰি দিয়া মাহ-প্ৰসাদেৰে মণিকূটত শৰাই সজোৱা হয়। বৰপেটাৰ কীৰ্ত্তনঘৰৰ দৰে ভাৰতৰ কোনো কোনো ধৰ্মীয় অনুস্থানত আজিও মহিলাৰ প্ৰৱেশ নিষিদ্ধ। অসমৰ প্ৰাক্তন ৰাজ্যপালো শ্ৰীযুত জানকী বল্লভ পাটনায়কদেৱে কেইগৰাকীমান মহিলাৰ সৈতে বৰপেটাৰ কীৰ্ত্তন ঘৰত প্ৰৱেশ কৰিব বিচৰাত পৰম্পৰা ৰক্ষাৰ নামত মহিলাসকলেই কঠোৰ ভাৱে বাধা দিছিল। গ্ৰাম্য অঞ্চলৰ মহিলাসকলৰ সামাজিক স্থান যিমান উন্নত হ'ব লাগিছিল সিমান উন্নত নহয়। শিক্ষা দীক্ষাত পিছপৰা হোৱা বাবে কেবল নিয়ম ভাঙিব নোৱাৰা বাবেই অন্ধবিশ্বাস আৰু কুসংস্কাৰবোৰ তেওঁলোকে বিনা প্ৰতিবাদে মানি আহিছে। সমাজ বা পৰিয়ালত তেওঁলোকৰ মতামত গ্ৰাহ্য নহয়। ক'ৰবাত শিক্ষিত মহিলা থাকিলেও পুৰুষ প্ৰধান সমাজে তেওঁলোকৰ সান্দহ খোৱা বালি তল যায় বুলি সমাজত আগস্থান দিবলৈ দ্বিধাবোধ কৰে। আমাৰ সমাজত বিধবা আক বন্ধ্যা তিৰোতাসকলক আজিও ভাল চকুৰে চোৱা নহয়। যাত্ৰা কালত বিধবা বা বন্ধ্যা তিৰোতা দেখিলে যাত্ৰা নষ্ট হয় বুলি ভবা লোক আজিও সমাজত আছে। বিয়া, সবাহ আদি শুভ কামত এওঁলোকক প্ৰায়ে অংশগ্ৰহণ কৰিবলৈ দিয়া নহয়। লাগিলে সেইগৰাকী তেওঁৰ নিজ মাতৃয়ে হওঁক। বিধবা আৰু সন্তানহীনা মহিলাসকলে সমাজত ভীতিগ্ৰস্তভাৱে জীৱন কটাব লগা হয়। এই ক্ষেত্ৰত ব্ৰাহ্মণ বিধবাসকলৰ অৱস্থা আৰু পুতৌলগা। তেওঁলোকে সমাজৰ ভয়ত অতি কঠোৰ কিছুমান নিয়ম পালন কৰিব লগা হয়। সন্তান জন্ম দিব নোৱাৰা ক্ষমতা কেৱল মহিলাৰে নহয়, কেতিয়াবা পুৰুষৰো থাকিব পাৰে। সেইবুলি কেৱল মহিলা গৰাকীকে জগৰীয়া কৰি পৰিয়ালৰ লোকে পুৰুষজনক দ্বিতীয় বিবাহ কৰাবলৈ বাধ্য কৰি সংসাৰ বিষময় কৰি তোলে। এজন পুৰুষ কিন্তু বৰলা হ'লেও তেওঁৰ সামাজিক স্থানৰ কোনো হীন দেঢ়ি নহয়। আমাৰ ছোৱালীহঁতক ডাঙৰ-দীঘল কৰোঁতে সৰু কালৰ পৰাই কঠোৰ অনুশাসন মানি চলিবলৈ বাধ্য কৰোৱা হয়। যিটো ল'ৰা সন্তানৰ ক্ষেত্ৰত কৰা নহয়। অমুকটো নকৰিবা, তালৈ নাযাবি, গছত নুঠিবি আদি এশ এবুৰি বাধা নিষেধ আৰোপ কথা হয়। এইদৰে সকলো ক্ষেত্ৰতে বাধাপ্ৰাপ্ত হৈ ছোৱালীহঁতে মানসিক উদ্যম হেৰুৱাৰ লগতে ভয়াতুৰ হৈ পৰে। গ্ৰাম্যঞ্চলত ছোৱালী পুষ্পিতা হোৱাৰ সময়ত কিছুমান ঠাইত এনে পৰিৱেশৰ সৃষ্টি হয় যে ভীতিগ্ৰস্ত হৈ ছোৱালীজনীয়ে কন্দা-কটা কৰিবলৈ আৰম্ভ কৰে। কিছুমান ভিতৰুৱা গাঁৱত মহিলাসকলে মাহেকীয়া ঋতুস্ৰাবৰ সময়ছোৱাত বৰকৈ নীতি মানি চলা দেখা যায়। তিনিদিনলৈ তেওঁৰ হাতে এগিলাচ ঠাণ্ডা পানী বা এখন কটা তামোলো নেখাই একেবাৰে অস্পৃশ্য বুলি গণ্য কৰে। সেই কেইদিন মাটিত বহিবলৈ আৰু শুবলৈ দিয়া হয়। কিবা কাৰণত আনৰ ঘৰলৈ গ'লেও নিজৰ চাহ খোৱা কাপটো পৰ্যন্ত ধুই থৈ অহা নিয়ম। মাটিত কাৰ্বন-ডাই অক্সাইদ গেছ বেছিকৈ থাকে। গতিকে মাটিত বহা বা শোৱাটো স্বাস্থ্যৰ পক্ষে ক্ষতিকাৰক। অন্ধবিশ্বাসৰ এটা অতি চৰম অমানৱীয় প্ৰথা হৈছে ডাইনী প্ৰথা। যাৰ ফলত বহু লোকে অকালতে প্ৰাণ হেৰুৱাইছে। বৰ্তমান যুগত এই প্ৰথাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ডাইনী সন্দেহত পুৰুষতকৈ বেছি সংখ্যক মহিলাক হত্যা কৰা হয়। মাৰি-মৰক, অপায়-অমংগল যে কোনো ডাইনীৰ প্ৰভাৱত হ'ব নোৱাৰে সেই কথা শিক্ষিত চামে ভালদৰে বুজাই দিব লাগিব।

সমাজ সংস্কাৰত মহিলাৰ ভূমিকা মণিষীসকলে যুগে যুগে স্বীকাৰ কৰি গৈছে। অন্ধবিশ্বাস আক কু-সংস্কাৰ দূৰীকৰণত মহিলাসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। কেতিয়াবা নাৰীয়ে নিজে নিজৰ শত্ৰু যেন লাগে। সমাজৰ কু-প্ৰথাবোৰ পুৰুষতকৈ মহিলাসকলেহে কেতিয়াবা বেছি সমৰ্থন কৰি যেন লাগে।

বিশেষকৈ নতুনকৈ বিয়া কৰাই অনা ন-বোৱাৰী গৰাকীৰ ওপৰত শাহু, জেহাহুহঁতে নিয়মৰ দোহাই দি নানা অত্যাচাৰ কৰা দেখা যায়। তেওঁলোকে নিজেও এদিন বোৱাৰী হৈছিল বা তেওঁৰ নিজৰ ছোৱালীজনীও এঘৰলৈ এদিন বোৱাৰী কৰি উলিয়াই দিব লাগিব, এই কথা সততে পাহৰি যায়। নাৰীয়ে অতীতৰ এলাস্বুকলীয়া ৰীতি-নীতিবোৰ খামুচি ধৰি থাকিবলৈ বিচাৰে। সৃষ্টিশীলতাক আদৰি নলয়। সমাজৰ পৰা কু-সংস্কাৰ আৰু অন্ধবিশ্বাস আঁতৰাবলৈ হ'লে নাৰীসকল সুশিক্ষিত, সুবিচাৰক হোৱাৰ লগতে সাহসী হ'ব লাগিব। এগৰাকী শিক্ষিতা নাৰীয়ে অগ্ৰণী ভূমিকা লৈ সমাজখন সুপথে পৰিচালিত কৰিব পাৰে। উপযুক্ত শিক্ষাৰ অভাৱতে আজিও নাৰীসকলক অন্ধবিশ্বাস আৰু কু-সংস্কাৰে লগ এৰা নাই। নাৰী সংগঠন বিলাকে এই ক্ষেত্ৰত আগভাগ ল'ব পাৰে। গ্ৰামাঞ্চল বিলাকত, চাহ বাগিচা বিলাকত, জনজাতি অধ্যূষিত অঞ্চল বিলাকত সজাগতা সভা অনুষ্ঠিত কৰি কু-সংস্কাৰ, অন্ধবিশ্বাসৰ কু-প্ৰভাৱ সম্পৰ্কে অৱগত কৰিব পাৰে। সুশিক্ষিত হোৱাৰ উপৰি নাৰীসকল সৎসাহসী হ'ব লাগিব। পুৰণিকলীয়া নীতি-নিয়মবোৰ বিনা প্ৰতিবাদে মানি নলৈ যুক্তিৰে সাহসেৰে সম্মুখীন হ'বলৈ শিকক। বহুতো শিক্ষিতা নাৰীয়ে সকলো জনাৰ পিছতো কেৱল সাহসৰ অভাৱতে সমাজত পিছপৰি থকা দেখা যায়। স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল যে যদি এজন ল'ৰাক শিক্ষিত কৰি তোলা হয়, তেওঁ নিজেহে শিক্ষিত হ'ব। কিন্তু এজনী ছোৱালী শিক্ষিত কৰিলে গোটেই পৰিয়ালটোকেই শিক্ষিত কৰি তুলিব। গতিকে নাৰী শিক্ষিত হ'লে এখন সমাজ তথা সমগ্ৰ দেশৰে উন্নতি হ'ব। সকলো মহিলা শিক্ষিতা হ'লে সমাজৰ বৰবিহ স্বৰূপ কু-সংস্কাৰ আৰু অন্ধবিশ্বাসবোৰো আপোনা-আপুনি আঁতৰ হ'ব।

# নগাঁৱত নৱপ্ৰজন্মক স্ব-নিৰ্ভৰশীল কৰাৰ লক্ষ্যৰে কৃষি ডিপ্লোমা পাঠ্যক্ৰমৰ শুভাৰম্ভ



**জয়ন্ত মুদৈ, নগাঁও ঃ** ৰাজ্যৰ কৃষি শিক্ষা ব্যৱস্থাত নতুনকৈ সংযোজিত হৈছে এক ডিপ্লোমা পাঠ্যক্ৰম। কৃষি শিক্ষাৰ জৰিয়তে নৱপ্ৰজন্মক স্বনিৰ্ভৰশীল তথা উদ্যমী হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে আৰম্ভ কৰা হৈছে এই ডিপ্লোমা পাঠ্যক্ৰম। ৰাজ্যৰ কৃষি শিক্ষাত পোন প্ৰথমবাৰৰ বাবে সংযোজিত হোৱা এই পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ নগাঁৱৰ চিলঙনীত থকা মাণ্ডলিক গৱেষণা কেন্দ্ৰত। তদুপলক্ষে মঙলবাৰে কৃষি ডিপ্লোমা কাৰ্যসূচীৰ প্ৰথমবৰ্ষৰ প্ৰথম যাণ্মাষিকৰ শুভ উদ্বোধনী অনুষ্ঠানটি চিলঙনীৰ মাণ্ডলিক গৱেষণা কেন্দ্ৰত অনুষ্ঠিত কৰা হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° বিদ্যুৎ চন্দন ডেকাৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানত অসম চৰকাৰৰ আয়ুক্ত সচিব তথা অসম চৰকাৰৰ কৃষি উৎপাদন আয়ুক্ত অৰুণা ৰাজৰিয়াই মাংগলিক কাৰ্যসূচীৰ মাজেৰে তিনিবছৰীয়া এই কৃষি ডিপ্লোমা পাঠ্যক্ৰমৰ শুভাৰম্ভ কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত ভাষণ প্ৰদান কৰি আয়ুক্ত অৰুণা ৰাজৰিয়াই জীৱনত সফল হবলৈ লক্ষ্য স্থিৰ কৰিব লাগিব বুলি উল্লেখ কৰি এই পৃথিৱীত কোনো কাম সৰু ডাঙৰ নহয়। জীৱন উপভোগ কৰিবলৈ সকলো প্ৰযুক্তি আৰু কৌশল আয়ত্ব কৰিব লাগিব বুলি মন্তব্য কৰে। চিলঙনী মাণ্ডলিক গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° হিৰণ্য কুমাৰ বৰাই আদৰণী ভাষণ আগবঢ়োৱা অনুষ্ঠানটিত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি বিজ্ঞান গুৰু ড° প্ৰসন্ন কুমাৰ পাঠকে কয় যে-সমাজৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংশ হৈছে কৃষক আৰু নৱপ্ৰজন্ম। এক মহান উদেশ্য লৈ এই পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। শিক্ষাৰ্থীসকলে এই পাঠ্যক্ৰম সমাপ্ত কৰি ওলাই গৈ বিভিন্ন দিশত নিয়োজিত হ'ব পাৰিব। অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট শিক্ষাবিদ, অৱসৰী অধ্যাপক ড° কমল শইকীয়াই কয় যে-- এই অনুষ্ঠানটিত মানৱ সভ্যতাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কামটো চৰ্চা চলি আছে। মাণ্ডলিক গৱেষণা কেন্দ্ৰৰ দ্বাৰা উদ্ভাৱনশীল ক্ষেত্ৰলৈ নৱপ্ৰজন্মক লৈ যোৱা হওঁক। কামৰ মাজেৰে জাতীয় চেতনা ৰাখিব লাগে। সেইদৰে অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকাই অনুষ্ঠানত ভাগ লৈ এই পাঠ্যক্ৰমৰ উদেশ্য হৈছে উদ্যমীতা আৰু জাতিটোক কৃষি কৰ্মৰ যোগেদি আগবঢ়াই লৈ যোৱা বুলি মন্তব্য কৰে। মাণ্ডলিক গৱেষণা কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী ড° ৰঞ্জনা চক্ৰৱৰ্তীয়ে আঁত ধৰা অনুষ্ঠানটিৰ আৰম্ভণিতে জাতীয় সংগীত পৰিবেশন আৰু বন্তি প্ৰজ্বলনৰ লগতে গণশিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। শেষত চিলঙনী মাণ্ডলিক গৱেষণা কেন্দ্ৰৰ প্ৰধান বিজ্ঞানী ড° নিৰঞ্জন ডেকাই শলাগৰ শৰাই আগবঢ়োৱাৰ পিছতে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা হয়। উল্লেখ্য যে, এই কৃষি ডিপ্লোমা কাৰ্যসূচীৰ প্ৰথমটো বছৰৰ প্ৰথম যাণ্মাসিকত অসমৰ বিভিন্ন জিলাৰ পৰা ২৪ জন ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্তি কৰিছে। ইয়াৰে ভিতৰত ১৭ জন ছাত্ৰ আৰু ৭ গৰাকী ছাত্ৰী। ইতিমধ্যে, ৩ নৱেম্বৰৰ পৰা আনুষ্ঠানিকভাৱে প্ৰত্যেকটো বিভাগৰ থিয়ৰি আৰু প্ৰেক্টিকেল (ব্যৱহাৰিক) ক্লাছ আৰম্ভ হৈছে বুলি জানিব পৰা গৈছে।

# উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত 'বন্দেমাতৰম' শীৰ্ষক গীতটিৰ ১৫০ বছৰীয়া উদ্‌যাপন বৰ্ষৰ আৰম্ভণি অনুষ্ঠান.....




**উত্তৰ গুৱাহাটী ঃ** আনন্দ মঠ উপন্যাসৰ স্ৰষ্টা বংকিম চন্দ্ৰ চেটাৰ্জীৰ দ্বাৰা ৰচিত 'বন্দে মাতৰম' শীৰ্ষক গীতটিৰ যোৱা ইংৰাজী ৭ নৱেম্বৰ তাৰিখৰ পৰা ১৫০ বছৰীয়া উদ্‌যাপন বৰ্ষ আৰম্ভ হৈছে। এই বৰ্ষৰ লগত সঙ্গতি ৰাখি উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী সমন্বিতে 'বন্দে মাতৰম' গীতটি সমৱেতভাৱে পৰিৱেশন কৰা হয়। এই গীতটি পৰিচালনা কৰে গণিত বিভাগৰ সহকাৰী অধ্যাপক নেপুৰ ৰঞ্জন হাজৰিকা আৰু উদ্ভিদ বিদ্যা বিভাগৰ সহকাৰী অধ্যাপিকা ড° ইপ্সিতা ভট্টাচাৰ্যই। অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভাস্কৰ জ্যোতি হাজৰিকাই। অনুষ্ঠানত বন্দে মাতৰম শীৰ্ষক বক্তৃতা প্ৰদান কৰে যথাক্ৰমে ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বনিমা তালুকদাৰ আৰু সহকাৰী অধ্যাপিকা ড° সংঘামিত্ৰা শৰ্মাই। ড° তালুকদাৰে তেওঁৰ ভাষণত 'বন্দে মাতৰম' গীতটিয়ে কেনেদৰে জাতীয় সংগীতৰ মৰ্যদা লাভ কৰিছিল, এই সম্পৰ্কে ব্যাখ্যা কৰে। ১৯০৫ চনত বঙ্গ বিভাজন ক কেন্দ্ৰ কৰি গঢ়ি উঠা স্বদেশী আন্দোলনত ৰাজনৈতিক শ্লোগান হৈ পৰিছিল 'বন্দে মাতৰম'। দেশমাতৃৰ গুণানুকীৰ্তনত এই গীতটিয়ে এক বিশেষ অৰিহণা যোগাইছে বুলি ড° তালুকদাৰে উল্লেখ কৰে। ড° শৰ্মাই তেওঁৰ ভাষনত 'বন্দে মাতৰম' গীতটিয়ে কেনেদৰে জনসাধাৰণৰ মনত জাতীয়তাবাদৰ সৃষ্টি কৰিছিল, সেই সম্পৰ্কে মতামত আগবঢ়ায়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় ড° বনিমা তালুকদাৰে।

# নিস্তব্ধতাৰ কোঠাত আৰ্তনাদ

**ভাস্কৰ প্ৰিয়ম হাজৰিকা**
কৰচুং সত্ৰ

মোৰ কোঠাটো খিৰিকীবোৰ বন্ধ কৰিলোঁ
বাহিৰৰ বতাহজাকলৈ এতিয়া ভয় লগা হৈছে।
মোৰ বন্ধ কোঠাত এতিয়া কেৱল
নিৰৱতাৰ শৃঙ্গাৰ।
নিজক নিজেই সমাধি দিয়া বৰ টান
হৃদয়, মন একেলগে জ্বলন্ত অগ্নিসাৰ।
কিমান হেৰুৱালে,
কিমান ভাঙিলে,
কিমান প্ৰতাৰণা হ'লে
নিজক সমাধি দিব পাৰে মই নাজানো।
কথাবোৰ, সপোনবোৰ
জীৱনৰ বাটত কেতিয়াবা এনেকৈ ঠেহ লাগে।

মৃত্যু কোনেনো বিচাৰে?
মৃত্যু কোনেনো কাম্য কৰে?
কোনেনো জীয়াই থাকিব নিবিচাৰে?
প্ৰতিটো কাহিনী এনেকৈ শেষ হয়
সকলোৰে এখনেই নিস্তব্ধ আঁৰকাপোৰ
য'ত লিখা থাকে
"মৃত্যু"
অস্ত বেলিকাৰ নাম
জীৱনৰ আলোক উপহাৰ।

**ম'বাইল ঃ ৯৩৬৫৭-৫৯৬২৯**

# নীৰৱতা

**তিলক ডেকা**

নীৰৱতাই কথা কয়,
মৌনতাৰ শব্দৰে বুজাই
মনৰ অবুজ বেদনা
অথবা অভিমান।
নীৰৱতাই কথা কয়,
উমি উমি জ্বলি থকা
ক্ৰোধৰ অগণিৰ বিস্ফোৰণৰ
মৌন প্ৰকাশ
বিস্ফোৰিত অনুভূতিৰ প্ৰচণ্ড শব্দ
ভাঁহি আহে নীৰৱে নীৰৱে,
যেন মহা প্ৰলয়ৰ পূৰ্বাভাষ।
নীৰৱতাই কথা কয়,
নীৰৱ সাধকৰ
মৌনতাৰ কোলাত
সাধনাৰ মন্ত্ৰ,
বিলাই শান্তিৰ বতৰা
অনুভৱ কৰো
নীৰৱে নীৰৱে।।
নীৰৱতাই কথা কয়,
সশব্দকৈ জটিল
নীৰৱতাৰ শব্দবোৰ
অৰ্থবোৰ অভিধানত নাপায় বিচাৰি
মাথোঁ অনুভৱ কৰো নীৰৱে নীৰৱে...।

**ম'বাইল ঃ ৯৪০১০-৯৬৩৫০**

# সময় ঃ শ্ৰেষ্ঠ উপহাৰ

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

সময় বৰ শক্তিশালী
সময় মানৱ জীৱনৰ শ্ৰেষ্ঠ উপহাৰ
সময়ে হুঁহুৱাই সময়ে কন্দুৱাই
সময়ে জীৱনৰ সৰ্বস্ৰ নিঃশেষ কৰি যায়।
মই বৰ দেখুৱাই নিজকে শক্তিশালী ভাবি
ধন-সম্পত্তিক লৈ অহংকাৰ
কৰি একো লাভ নাই,
সময়ৰ কাম সময়ত কৰি যোৱা
ফল আশা নকৰিবা
সময়ে সময়ত দিব ফল
নেহেৰুৱাবা আত্মবিশ্বাস মনোবল।
সময় বৰ শক্তিশালী
সময়ে সময়ত পি খাব জীৱনৰ ৰং,
আনন্দ-উল্লাস।

**ম'বাইল ঃ ৯৪০১৮-৭৬৭২৮**

# জুই-পানী

**বিতোপন গগৈ**
শিমলুগুৰি

ক'ত হেৰাল
শকুন্তলা-দ্যুষ্মন্ত
ক'ত পাম সেই
ঋষিগণৰ তপস্যা সান্নিধ্য।
ৰাস চাবলৈ আহি
আজিও জুবিন অনুভূতি
এচেৰেঙা ৰ'দৰ আশাত
ৰৈ থাকে এহাল
অমৃত-কবিতাৰ দম্পতি।
কিয়?
দুমাহ দুঃস্বপ্ন ৰাতি
উজাগৰী বিষাদ
সীমাৰ পৰিধি বিচাৰি
বিচ্ছেদ বিড়ম্বনা
দুঃখৰ ক্ষণত খঙৰ জুই
পাহাৰ-ভৈয়াম
উজনি-নামনি ....
প্ৰেমৰ বতাহ
গোপী খেলৰ বান্ধৱী।
শতৰু আহে
নাচ, নাচ
মই নিজানত
ঘনে ঘনে আহে ঢৌ
ভৰ দুপৰৰ পানী খেল
পাৰৰ বালিঘৰ চাপে
নাঙঠ সাগৰৰ সোঁত
তোমাৰ উত্তাল গভীৰতা উন্মোচন...।

# উত্তাপ

**বিনিময় দাস**

শৈশৱ-কৈশোৰ-যৌৱন
প্ৰতিটো বয়সৰ নিজা উত্তাপ থাকে,
একে শ্ৰেণীৰ সদস্যই পৰস্পৰৰ কাষ চাপে
পাবলৈ তাকে।
উদয়ৰ পৰা অস্তলৈ
সিহঁতে সময় কৰে পাৰ,
কথোপকথন আগুৱাই যায়-
জীৱন আনন্দৰ আধাৰ।
বাৰ্ধক্যৰ নিজা উত্তাপ নাথাকে,
সেয়ে প্ৰতিজনে প্ৰতিজনৰ পৰা হয় বিকৰ্ষণ।
অনুভৱত পৃথিৱীৰ পৰা যেন
অপনয়ন।
অজানিতে নিজৰ চাৰিওফালে
একাকীত্বৰ ছবি আঁকে।
কথোপকথনেৰে ইচ্ছা প্ৰকাশৰ
শ্ৰোতা বিচাৰি ফুৰে,
জীৱনক আৱৰি ধৰে
বেদনাৰ সুৰে।

**ম'বাইল ঃ ৯৪৩৫৫-৩৭৫৯১**

# বিষাদৰ বাঁহী

**নমিতা দাস**
শুৱালকুছি, শান্তিতোল

বিৰহী ৰাধা মই
সমস্ত হৃদয় উজাৰি প্ৰেম নিবেদিলোঁ
প্ৰতাৰিতা নে বিশ্বাস ঘাটকতা
আৰু নবজাবা বিষাদৰ বাঁহী
নজলাবা মোৰ ব্যাকুল হৃদয়
কানাই, তোমাৰ স্পৰ্শৰ গোন্ধ বৃন্দাবনত
এৰি গলা মোক আওকাণ কৰি
পাহৰি ৰাধাৰ প্ৰেম
অব্যক্ত হৈ ৰ'ল মোৰ
হিয়াৰ বহুতো গোপন কথা
বৃন্দাবনেই হৈ ৰ'ব জীয়াই থকাৰ
শেষ আশা।

# দৈনন্দিন

**প্ৰভাত বণিয়া**

ঘণ্টা পৰিলেই
আৰম্ভ হয় ক্লাচ
যিদৰে পুৱাতেই ওলায়
আকাশ ফালি
ৰঙা বেলি
সময়ে বেলিক নজগায়
বেলিয়ে জানে
কেতিয়া হ'ব লাগে উদয়
মাৰ যাব লাগে কেতিয়া
পশ্চিম আকাশত।
শিক্ষা গুৰু শ্ৰেণী কোঠাত
প্ৰৱেশ কৰাৰ আগতেই
সাজু হয় ছাত্ৰ
কোৱা হয় গুৰুতকৈ
ছাত্ৰ সিয়ান খুচৰি খুচৰি
লয় জ্ঞান
আজি কালি দিন কাল সলনি হ'ল
সময়তকৈ আগবাঢ়ে মিনিটৰ কাটা
দৌৰা দৌৰি ৰবৰ সময় নাই
ক্লাচ পাব লাগে
সঠিক সময়ত ধৰিব লাগিব বাছ
কাৰ্যালয়ত হ'ব লাগে উপস্থিত
বজাৰ সমাৰ ৰন্ধা বঢ়া
সময়ত হ'ব লাগিব
হ'ব নোৱাৰে অকণো হেৰফেৰ।
খোজ কাঢ়িয়ে কথা পাতিব লাগিব
থিয়ৈ থিয়ৈ খাব লাগিব
চাহ, তামোল, পাণ
সময়ত ৰুগীয়ে খাব লাগিব ঔষধ
ল'ব লাগিব ইনছুলিন
বেমাৰ আজাৰ আৰম্ভ হ'লেই
ডাক্তৰক দেখুৱাব লাগে।
মাটিৰ খাজনা, ঘৰ ভাড়া, বিদ্যুতৰ বিল
খবৰ কাগজৰ মাহৰ পইচা
সময়ত কৰিব লাগিব পৰিশোধ
মোবাইল, টি-ভিৰ ৰিচাৰ্জ
সময়ত নকৰিলে হয় পয়মাল
শেষৰ ঘন্টা পৰিল
স্কুল কলেজ ছুটি হ'ল
ঘৰমুৱা হ'ল ছাত্ৰ-ছাত্ৰী
শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী
ব্যৱসায়ী,পথচাৰী, ৰিক্সাৱালা, ঠেলাৱলা,
শ্ৰমিক, বনুৱা, নিবনুৱা
নিজম পৰে ৰাস্তা-ঘাট, জনসমাগম
এটা দিনৰ অন্ত হ'ল
সন্ধিয়া বন্ধ হ'ল দোকান বজাৰ
আকৌ পুৱাব ৰাতি
আৰম্ভ হ'ব কোৰ্হাল হাইউৰুমি
দৌৰা দৌৰি, কৰ্মব্যস্ততা, লৰা ধপৰা, ঠেলা হেঁচা
জীৱনৰ দৈনন্দিন চলাচল ৰুটিন।

# এজাক স্নিগ্ধভৰা বৰ্ষা

**ছেলিমা বেগম**
নগাঁও

এজাক স্নিগ্ধভৰা বৰ্ষা নামি আহিলে,
কাতি মাহৰ সংক্ৰান্তিৰ দিনা নামিলে।
কুঁৱলীৰ বগা চাদৰখন মেৰিয়াই লৈ
কুঁৱলীৰ ফাঁকে ফাঁকে নৃত্য কৰিবলৈ।
দুবৰি বনত মাজত দিয়ে মণি মুকুতা ছটিয়াই।
শীতৰ যৌৱন বুকুত বান্ধি আহিছে ভটিয়াই।
টুপ টুপ বৰষুণৰ টোপাল ধৰণীত নামে,
বৰষুণৰ তালে তালে শীত নামে।
এয়া হৈছে শৰতৰ মিলন বৰষুণৰ লগত,
ঠাণ্ডা নামি আহে ধৰাৰ বুকুত।
শৰতৰ আগমণৰ বাৰ্তা পাই,
গছে বনে আনন্দৰ সীমা নাই।
এজাক সিগ্ধভৰা বৰষুণে ঋতু ৰাণীক সজালে,
শেৱালি, মাধৱি, মল্লিকা ফুলিলে।
প্ৰকৃতিৰ বুকুত শাৰদীয় ৰাণীৰ আগমণ,
সাজু হৈ উঠিল সেউজীয়া পথাৰখন।
ঋতু ৰাণী তোমাক আদৰিবলৈ,
কঁহুৱা বন ফুলি আছে নৃত্য কৰিবলৈ।

# মানুহৰ পৃথিৱীত

**হেৰম্ব নাথ**

মানুহৰ পৃথিৱীত
আজি দানৱৰ কিৰিলী
মানুহবোৰ নিমাত
মাথোঁ সাপৰ মুখত থকা ভেকুলীৰ দৰে
যিহেতু দানৱেই কৰে ৰাজত্ব
শাসন-শোষণৰ বাঘজৰী থাকে
দানৱৰ হাতত
তেন্তে কৰিবনো কি-
ভাল মানুহবোৰ অসহায় মাথোঁ
প্ৰতিবাদী কণ্ঠ ৰুদ্ধ হৈ পৰে
মূৰৰ ওপৰত থকা সূৰ্যটোও লুকাই
দানৱৰ চিঞৰ শুনি
আই বসুমতীয়ে ত্ৰাহি মধুসূদন সুঁৱৰে।
আজি সততা বুলি একো নাই
চৌদিশে দানৱৰ নিষ্ঠুৰতা
নিষ্ঠুৰতাই যেন সত্য
সততা যেন অৰ্থহীন
প্ৰেক্ষাপটত
ভাল মানুহৰ অভাৱ প্ৰত্যহ ঈক্ষিত
আয়ুসবোৰ কমি আহিছে ভাল মানুহৰ
দানৱবোৰৰ দপদপনি ক্ৰমান্বয়ে বাঢ়ি গৈ আছে।
গ্ৰন্থৰ সোৱাদ ল'বলৈ অপাৰগ
সত্যৰ অন্বেষণ কৰা মানুহৰ সংখ্যা ক্ৰমশঃ কমি আহিছে
মানুহে মানুহক ভাল পাবলৈ পাহৰি গ'ল
মানুহবোৰ স্বাৰ্থপৰ হ'ল
মানুহেই মানুহক হত্যা কৰিবলৈ
উদ্বাউল হৈ পৰিল
কেৱল টকা লাগে, ক্ষমতা লাগে, মাটি লাগে।
অন্যায় কৰি হ'লেও পৰ্বতসম ধন-সম্পদৰ
অধিকাৰী হ'ব লাগে
আজি মানৱতা নাই
সততা নাই
সত্য-সুন্দৰৰ সাধনা নাই
সামাজিকতা সুদূৰ পৰাহত
সকলো ব্যস্ত নিজক লৈ
আজিৰ পৃথিৱী ঈৰ্ষা-হিংসা-কপটতাৰে ভৰা
নিজৰ শৰীৰটোকো বিশ্বাস নকৰা হ'ল
সকলোৱে পিন্ধি থাকে একো একোখন মুখা
সেই মুখাৰ আঁৰত লুকাই থাকে
এটা দানৱ
সুবিধা পালেই হুংকাৰ দিয়ে
মানুহ আজি অবিশ্বাস্য প্ৰাণী
মানুহ আজি মানুহৰ শাৰীত নাই
মানুহ পশুতকৈয়ো নীচ-অধম।
তথাপি ভাল মানুহে মানুহৰ দৰে
জীয়াই থাকিব বিচাৰে
বিচাৰে জীৱনৰ জয়গান গাব
বিচাৰে মানৱ প্ৰেমৰ পূজাৰী হ'বলৈ
কিন্তু পদে পদে পায় বাধা।
সেই দানৱবোৰে বিষ ঢালে
মানৱ প্ৰেমৰ পূজাথলীত।
সিহঁত কোনোদিনে মানুহ হ'ব নোৱাৰে
যদিওবা দস্যু ৰত্নাকৰ বাল্মিকী হৈছিল।

**ম'বাইল ঃ ৭০০২৭-৯৭৫৪০**

# আবতৰীয়া বৰষুণ

**ৰূপালী গগৈ চুতীয়া** , ডিব্ৰুগড়

আবতৰীয়া বৰষুণেও জানে
আমাৰ নেপথ্যৰ আৱেগ
সেয়ে নোকোৱাকৈ
হঠাতে আহি চুই গ'ল
পানীৰ টোপাল নে
পুষ্পৰ সুবাস চিনি নোপোৱাকৈ
দি গ'ল মাথোঁ
এটি নতুন নাম
হ'লগৈ পূজাথলী
অমানুহ মানুহ হ'বলৈ।

*প্ৰথম পৃষ্ঠাৰ পৰা*

## অসমৰ মহিলা সমাজক সন্মানেৰে আগুৱাই লৈ যোৱাৰ বাবে আমি পদক্ষেপ গ্ৰহণ কৰি যাম ঃ মুখ্যমন্ত্ৰী

উন্নয়ন খণ্ডৰ পৰিত্ৰ গ্ৰাম্য সংগঠনৰ অধীনৰ জয়মতী আত্মসহায়ক গোটৰ সদস্যা মামনি বালা ৰয়ে কাঠফুলা খেতিৰে স্বাৱলম্বিতাৰে আজি মাহে ১২ হাজাৰ টকাকৈ বছৰি ১লাখ ৪৪ হাজাৰ টকা আয় কৰিবলৈ সক্ষম হৈছে। তেওঁ কয় যে এওঁলোকৰ দৰে আন আন মহিলাসকলেও আত্মনিৰ্ভৰশীলতাৰ এই যাত্ৰাত সফল হোৱাটো নিশ্চিত। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আভিযানৰ অধীনত লাভ কৰা ১০ হাজাৰ টকাৰ বীজ মূলধন উৎপাদনমুখী কামত কেনেদৰে ব্যৱহাৰ কৰিব সেই সন্দৰ্ভত মহিলাসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে দুটা দিশত মহিলাসকলক এই সন্দৰ্ভত সহায় কৰিবলৈ আগবাঢ়িছে। ইয়াৰে এটা হৈছে নিজৰ আত্মসহায়ক গোটত জমা কৰা ধনেৰে এটা পুঁজি গঠন কৰি তেওঁলোকে সমূহীয়াভাৱে কোনো ব্যৱসায় আৰম্ভ কৰিব পাৰে আৰু আনটো হৈছে তেওঁলোকে নিজস্বভাৱেও কোনো ব্যৱসায় আৰম্ভ কৰিব পাৰে, নাইবা পৰিয়ালৰ পূৰ্বতে থকা ব্যৱসায়ৰ সম্প্ৰসাৰণৰ কামতো এই পুঁজি ব্যৱহাৰ কৰিব পাৰে। তেওঁ কয় যে মহিলাসকলে প্ৰাৰম্ভিক পুঁজি হিচাপে লাভ কৰা এই ১০ হাজাৰ টকা সদ্ব্যৱহাৰ কৰিলে পৰৱৰ্তী পৰ্যায়ত ক্ৰমে ২৫ হাজাৰ টকা আৰু ৫০ হাজাৰ টকাকৈ লাভ কৰিব। চৰকাৰৰ পৰা সৰ্বমুঠ ৮৫ হাজাৰ টকা লৈ উৎপাদনমুখী কামত ব্যৱহাৰ কৰিব পাৰিলে এগৰাকী মহিলা নিশ্চিতভাৱে লাখপতি বাইদেউ হ'ব পাৰিব বুলিও তেওঁ মন্তব্য কৰে। ৰাজ্য চৰকাৰে আৰম্ভ কৰা নিযুত মইনা আঁচনিখনৰ বিষয়েও সভাত মুখ্যমন্ত্ৰীয়ে বিস্তৃত বিৱৰণ দাঙি ধৰে। এইবাৰ চৰকাৰে বহু বিবাহ ৰোধৰ ক্ষেত্ৰত অসম বিধানসভাত আইন প্ৰণয়নৰ দিশত আগবঢ়াৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমত যাতে বহু বিবাহ নহয় তাৰ বাবে শেহতীয়া কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এজন পুৰুষে যদি দ্বিতীয় বিবাহ কৰে তেন্তে তেওঁৰ সাত বছৰ পৰ্যন্ত কাৰাবাস হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে এই সন্দৰ্ভত অহা ২৫ নৱেম্বৰত অসম বিধানসভাত এখন বিধেয়ক উত্থাপন কৰা হ'ব। এই কামসমূহৰ বাবে দুই-এক বেয়া পালেও অসমৰ মহিলা সমাজক আদৰ-সন্মানেৰে আগুৱাই লৈ যোৱাৰ স্বাৰ্থত ৰাজ্য চৰকাৰে এই পদক্ষেপসমূহ গ্ৰহণ কৰি যাব বুলি তেওঁ দৃঢ়তা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যৰ দৰিদ্ৰ আৰু দুখীয়া জনসাধাৰণক সহায় কৰাৰ উদ্দেশ্যে আৰম্ভ কৰা অৰুণোদয় আঁচনিখনৰ বাবে মহিলাসকলৰ আজি ঘৰত আদৰ-সন্মান বাঢ়িছে। তেওঁ কয় যে গোলকগঞ্জ সমষ্টিৰ আৰু চাৰি হাজাৰ হিতাধিকাৰীক নতুনকৈ অৰুণোদয় প্ৰদান কৰা হ'ব। ৰাজ্যৰ জনসাধাৰণক অৰুণোদয় আঁচনিৰ অধীনত ১২৫০ টকা, কেজি ৪০ টকা দৰত মাহে ২০-৩০ কেজিকৈ চাউলেৰে ৮০০ টকা, বৃদ্ধ পেঞ্চন আঁচনিৰ অধীনত ২৫০ টকা, বিধবা পেঞ্চন ১২৫০ টকাৰ লগতে ৰেচন কাৰ্ড থকা পৰিয়ালসমূহে বিনামূলীয়া চিকিৎসা সেৱাৰ সুবিধা লাভ কৰি আছে বুলি তেওঁ উল্লেখ কৰে। সভাত মুখ্যমন্ত্ৰীয়ে সদৰি কৰে যে বৃদ্ধ পেঞ্চন আঁচনিৰ ধন শীঘ্ৰে বৃদ্ধি কৰা হ'ব। এতিয়াৰে পৰা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়াললৈ ১১৭ টকাতে ১ কেজিকৈ মচুৰ দাইল, চেনি আৰু নিমখ যোগান আঁচনিখনৰ শুভাৰম্ভ হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা জানুৱাৰী মাহৰ পৰা ১০০ টকাতে ১ কেজিকৈ মচুৰ দাইল, চেনি আৰু নিমখ যোগান ধৰা হ'ব। অসমখনক ৰাজ্য চৰকাৰে মহিলাৰ বাবে সুৰক্ষিত কৰিব বিচাৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰী চাকৰিত সংৰক্ষণ, পঞ্চায়তত সংৰক্ষণ হোৱাৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সাংসদ, বিধায়ক পদতো মহিলাৰ বাবে আসন সংৰক্ষণ কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰিব। তেওঁ লগতে জানিবলৈ দিয়ে যে আগন্তুক বৰ্ষৰ ফেব্ৰুৱাৰী মাহত অৰুণোদয় আঁচনিৰ হিতাধিকাৰীসকলে লাভ কৰিব ভাল খবৰ। তেওঁ লগতে মন্তব্য কৰে যে মহিলাসকলৰ সুবিধাৰ্থে পূৰ্বৰ কোনো চৰকাৰে ইমানবোৰ আঁচনি তথা পদক্ষেপ গ্ৰহণ কৰা নাছিল। এই অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ উপৰি প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰ, অসম চৰকাৰ বিপণন নিগম লিনিটেডৰ অধ্যক্ষ অশোক কুমাৰ সিংহি, অসম ভৈয়াম জনজাতি উন্নয়ন নিগমৰ উপাধ্যক্ষ বণেন্দ্ৰ কুমাৰ মুছাহাৰী, কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱেশ ৰায়, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

## ৰেচন কাৰ্ড থকা পৰিয়াললৈ ৰাজসাহায্যযুক্ত মচুৰ দাইল,

ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰতিশ্ৰুতি দিয়া সহজ, কিন্তু পালন কৰা কঠিন। তেওঁ কয় যে যোৱা ৫ বছৰত দিয়া প্ৰতিশ্ৰুতি চৰকাৰে এটা এটাকৈ পূৰণ কৰিছে। অসমৰ দৰিদ্ৰ আৰু মধ্যবিত্তৰ বাবে চৰকাৰখনে ইতিমধ্যে কৰা কাম আৰু ভৱিষ্যতে কৰিব বিচৰা কামৰ বিষয়ে সদৰি কৰি ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুখীয়া মানুহৰ বাবে বেংক একাউন্টৰ ব্যৱস্থা কৰি সেই একাউন্টত ৰন্ধন গেছৰ ৰাজসাহায্য দিয়াৰ ব্যৱস্থা কৰে। কোভিডৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে বিনামূলীয়া চাউল দিলে। কোভিডৰ পিছতো প্ৰতিটো দুখীয়া পৰিয়ালৰ প্ৰতিগৰাকী সদস্যৰ বিপৰীতে ৫ কেজিকৈ বিনামূলীয়া চাউল দি থকা হৈছে। দুখীয়া ৰাইজে বিপদৰ সময়ত চৰকাৰৰ মুখলৈ চাই বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দুখীয়া পৰিয়ালৰ কথা চিন্তা কৰিয়ে অসম চৰকাৰে ২০২০ চনত ১৮ লাখ পৰিয়ালক ৮৩০ টকাকৈ অৰুণোদয়ৰ ধন দিছিল। অৰুণোদয় ২.০ ত ২৮ লাখ পৰিয়ালক আৰু এইবাৰ অৰুণোদয় ৩.০ ত ৩৮ লাখ পৰিয়ালক সামৰি লোৱা হৈছে। অৰুণোদয়ৰ ধনো ৮৩০ টকাৰ পৰা ১০০০ টকালৈ আৰু এতিয়া ১২৫০ টকালৈ বৃদ্ধি কৰা হৈছে। বিধৱা পেঞ্চনৰ ধন ১২৫০ টকালৈ বৃদ্ধি কৰা বুলি সদৰী কৰি তেওঁ কয় যে বৃদ্ধ পেঞ্চনৰ ধনো বৃদ্ধি কৰা হ'ব। ড° শৰ্মাই কয় যে অৰুণোদয়, ৰন্ধন গেছৰ ৰাজসাহায্য আদিৰ উপৰি আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আৰু আয়ুষ্মান অসম মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত একোটা দুখীয়া পৰিয়ালক বছৰি ৫ লাখ টকা পৰ্যন্ত বিনামূলীয়া চিকিৎসাৰ সুবিধা, ৰেচন কাৰ্ড থকা পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক কলেজত বিনামূলীয়া নামভৰ্তি, কলেজত পঢ়া ছাত্ৰীক নিযুত মইনা আঁচনিৰ ধন, নৱম শ্ৰেণীৰ শিক্ষাৰ্থীক চাইকেল দিয়া হৈছে। তেওঁ কয় যে এখন মৰমীয়াল চৰকাৰ, নিজৰ চৰকাৰ থাকিলে ৰাইজৰ কষ্ট বহুত কমি যায়। যিসকলক অৰুণোদয় নালাগে তেওঁলোকে অৰুণোদয় পৰ্টেলত থকা এটা বুটাম টিপিলেই এই সুবিধা বন্ধ হৈ যাব বুলি সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰয়োজন নোহোৱাসকলে অৰুণোদয়ৰ সুবিধা ত্যাগ কৰিলে যাৰ প্ৰয়োজন আছে তেওঁলোকক দিব পৰা যাব। তেওঁ কয় যে অৰুণোদয় পৰিয়ালক প্ৰতিটো ৰন্ধন গেছৰ চিলিণ্ডাৰ ক্ৰয়ৰ বাবদ ২৫০ টকাকৈ দিয়া হ'ব আৰু পৰৱৰ্তী সময়ত দুখীয়া পৰিয়ালক মিঠাতেলো দিয়া হ'ব। আনৰ ঘৰত কাম কৰা মহিলাসকলে সপ্তাহত যাতে এদিন জিৰণি ল'ব পাৰে তাৰ বাবেও চৰকাৰে চিন্তা কৰে বুলি মন্তব্য কৰি ড° শৰ্মাই কয় যে ভৱিষ্যতে বিহু আৰু পূজাৰ সময়ত অৰুণোদয়ৰ ধন বঢ়াই দিয়া হ'ব যাতে মহিলাসকলে সন্তানক এসাজ কাপোৰ দিব পাৰে। মানুহৰ হিতৰ বাবে, দুখীয়া মানুহৰ ভালৰ বাবে ৰাজনীতি কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অৰুণোদয়ৰ ধন আনিবলৈ যেতিয়া বেংকলৈ যায়, মহিলাগৰাকীয়ে মনত সাহস পাই কাৰণ সেয়া তেওঁৰ নিজা ধন। তেওঁ কয় যে যিখন সমাজত দৰিদ্ৰ আৰু মধ্যবিত্ত লোক আনন্দত থাকে সেইখনেই আদৰ্শ সমাজ। সুলভ মূল্যৰ দোকানীসকলক প্ৰতিকিলো দাইল, চেনী, নিমখৰ বিপৰীতে ২ টকাকৈ দিয়া হ'ব বুলি সদৰী কৰি মুখ্যমন্ত্ৰীয়ে ৰাইজৰ পৰা অতিৰিক্ত ধন নলবলৈ সুলভ মূল্যৰ দোকানীসকলক আহ্বান জনায়। এই অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্ৰী অশোক সিংহল, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, শ্ৰমিক কল্যাণ আদি বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, সাংসদ বিজুলী কলিতা মেধি, সাংসদ ভূৱনেশ্বৰ কলিতা, বিধায়ক অতুল বৰা, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, মুখ্য সচিব ড° ৰবি কোটা প্ৰমুখ্যে কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দ্বাৰা ৰাজসাহায্যযুক্ত

কয় যে এই আঁচনিৰ অধীনত যোগ্য হিতাধিকাৰীয়ে বজাৰ মূল্যতকৈ যথেষ্ট কম মূল্যত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী লাভ কৰিব, আৰু আগন্তুক জানুৱাৰী মাহৰ পৰা ১০০ টকা মূল্যত এই তিনিবিধ সামগ্ৰী উপলব্ধ কৰোৱা হ'ব। এতিয়াৰ পৰাই প্ৰথমবাৰৰ বাবে সকলো সুলভ মূল্যৰ দোকানত এই সামগ্ৰীসমূহ ৰাজসাহায্যযুক্ত দৰত যোগান ধৰা হৈছে। তেওঁ কয় যে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নেতৃত্বাধীন অসম চৰকাৰে ৰাজ্যৰ সকলো শ্ৰেণীৰ লোকৰ বাবে দায়বদ্ধতা প্ৰদৰ্শন কৰি খাদ্য সুৰক্ষাৰ পৰা পৰিপুষ্টি নিশ্চিতকৰণৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। এই উপলক্ষে তেওঁ কয়, 'অন্ত্যোদয় আমাৰ লক্ষ্য, উদ্দেশ্য আৰু অভিযান। এই আঁচনিৰ জৰিয়তে আমি এক কল্যাণকামী ৰাজ্য প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এক নতুন মানদণ্ড স্থাপন কৰিছো, য'ত প্ৰতিজন নাগৰিক পুষ্টি সুৰক্ষাৰ আওতালৈ আহিছে। এই যুগান্তকাৰী পদক্ষেপৰ জৰিয়তে অসম চৰকাৰে ৰাজ্যৰ খাদ্য সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰাৰ ক্ষেত্ৰত এক দৃঢ় প্ৰতিবদ্ধতা প্ৰদৰ্শন কৰিছে বুলি মন্ত্ৰী হাজৰিকাই কয়।

## ৰাঙলু স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি বিশিষ্ট সমাজ সেৱক আবুবক্কৰ ছিদ্দিক আৰু নাই

**বিশেষ সংবাদদাতা, নগাঁও ঃ** ৰাঙলু স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি, নগাঁও জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য, ৰাঙলু ড° এ পি জে আব্দুল কালাম একাডেমীৰ প্ৰতিস্থাপক সভাপতি, বিশিষ্ট সমাজ সেৱক আবুবক্কৰ ছিদ্দিক (৫৯) আমাৰ মাজত নাই। প্ৰায় ছমাহ মান আগৰে পৰা কৰ্কট ৰোগত আক্ৰান্ত হৈ বিভিন্ন চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। দুটা মাহে গুৱাহাটী জি এন আৰ চি হাস্পতালত চিকিৎসাধীন হৈ থকা অৱস্থাত পুৱা ১১ বজাত ইহলীলা সম্বৰণ কৰে। চিকিৎসাধীন অৱস্থাত তেখেতৰ পত্নী আমিনা খাতুন, তিনি কন্যা ক্ৰমে আজমিন চাহনাজ ছিদ্দিকা, আৰফিন চাহনাজ ছিদ্দিকা আৰু হাচমি চাহনাজ ছিদ্দিকাই কৰা নেৰানেপেৰা শুশ্ৰূষা আৰু চিকিৎসকৰ অপ্ৰাণ চেষ্টাকো বিফল কৰি পৰিয়ালৰ লগতে সমগ্ৰ সাহিত্য প্ৰেমীৰ হৃদয় উকা কৰি ইহসংসাৰৰ পৰা বিদায় ল'লে সমগ্ৰ অঞ্চলৰ সৰবৰহী ব্যক্তিজন। ছিদ্দিকিৰ মৃত্যু বাতৰি পোৱাৰ পিছত ৰাঙলু স্বৰ্ণ শাখা সাহিত্য সভাৰ সদস্যসকল গুৱাহাটী জি এন আৰ চি হাস্পতালত উপস্থিত হৈ পৰিয়ালৰ সদস্যসকলক সান্ত্বনা দি নশ্বৰ দেহ নিজ গৃহ ৰাঙলু উৰিয়া গ্ৰাণ্ট টুবুকীলৈ অনাৰ ব্যৱস্থা কৰে। সাহিত্য সভা, সাংস্কৃতিক অনুষ্ঠান, গ্ৰন্থমেলা, ক্ৰীড়া সমাৰোহৰ, হিন্দু, মুছলমান সকলো ধৰ্মীয় অনুষ্ঠানত খাদ্যৰ যোগান ধৰি সকলোৰে প্ৰিয়পাত্ৰ হোৱা আবুবক্কৰ ছিদ্দিকৰ মৃত্যুত সকলোৱে গভীৰ শোক প্ৰকাশ কৰিছে।


## নগাঁও বিশ্ববিদ্যালয়ত পাঁচদিনীয়া 'শিক্ষক সমৃদ্ধি কাৰ্যসূচী'ৰ (এফ ডি পি) আৰম্ভণি

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও বিশ্ববিদ্যালয়ত ইনষ্টিটিউশ্বন্যেল এডভান্সড লেভেল বায়'টেক হাবৰ উদ্যোগত আৰু নগাঁও বিশ্ববিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত 'শিক্ষণ-শিকন প্ৰক্ৰিয়াত আই.চি.টি সঁজুলি' শীৰ্ষক পাঁচদিনীয়া শিক্ষক সমৃদ্ধি কাৰ্যসূচী (এফ ডি পি) অনুষ্ঠিত হয়। নগাঁও বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত শৈক্ষিক পঞ্জীয়ক ড° ফাৰিস্তা য়াচমিনে আঁত ধৰা এই কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানত মূল বক্তা হিচাপে অংশগ্ৰহণ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ তথ্য প্ৰযুক্তি বিভাগৰ অধ্যাপক শিখৰ কুমাৰ শৰ্মাই। শৰ্মাই বক্তৃতাত তথ্য আৰু প্ৰযুক্তি বিদ্যাৰ সঁজুলিসমূহ কেনেদৰে বৰ্তমান শিক্ষা ব্যৱস্থাত অপৰিহাৰ্য হৈ পৰিছে, তথ্য প্ৰযুক্তিৰ ব্যৱহাৰে সমাজৰ কল্যাণ কেনেদৰে সাধন কৰিছে, জীৱন ধাৰণৰ মান কেনেদৰে বৃদ্ধি কৰিছে, সেই সম্পৰ্কে অৱগত উল্লেখ কৰে। লগতে তথ্য আৰু প্ৰযুক্তিগত সঁজুলি ব্যৱহাৰৰ দ্বাৰা শিক্ষণ-শিকন প্ৰক্ৰিয়াক কেনেদৰে উন্নয়ন সাধন কৰিব পাৰি, সেই সম্পৰ্কে উল্লেখ কৰে। এই অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰে নগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই। ড° ডেকাই ভাষণত শিক্ষা ব্যৱস্থাত তথ্য-প্ৰযুক্তিগত সঁজুলিৰ ব্যৱহাৰৰ অপৰিহাৰ্যতাৰ কথা উল্লেখ কৰি এই তথ্য প্ৰযুক্তিয়ে মানুহৰ জীৱনত সৃষ্টি কৰিব পৰা প্ৰত্যাহ্বান সম্পৰ্কেও উল্লেখ কৰে। ২১জন অংশগ্ৰহণকাৰীৰে আৰু সৰ্বমুঠ সাতটা সত্ৰত অনুষ্ঠিত হ'বলগীয়া এই 'শিক্ষক সমৃদ্ধি কাৰ্যসূচী' (এফ ডি পি) অহা শুকুৰবাৰে অন্ত পৰিব। বিভিন্ন মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, গৱেষক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা এই কাৰ্যসূচীৰ উদ্বোধনী অনুষ্ঠানত নগাঁও বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপ পঞ্জীয়ক, ছাত্ৰ কল্যাণ বিভাগৰ ডীনকে প্ৰমুখ্য কৰি বিভিন্ন বিভাগৰ অধ্যাপক-অধ্যাপিকা, গৱেষক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## ৰণথলী-ৰজাভেটি প্ৰাথমিক সমিতিৰ ৬১ সংখ্যক ৰাস মহোৎসৱৰ সামৰণি

### সুধাকণ্ঠ-জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ ৰজাভেটিত দুদিনীয়াকৈ অনুষ্ঠিত ৰাস মহোৎসৱৰ সামৰণি পৰে। ৰণথলী-ৰজাভেটি প্ৰাথমিক সমিতিৰ উদ্যোগত অনুষ্ঠিত হয় ৬১ সংখ্যক ৰাস মহোৎসৱ। প্ৰথমদিনা পুৱা অনুষ্ঠানৰ চৌপাশ নিস্কাষণ কৰাৰ পিছত নামপ্ৰসঙ্গ অনুষ্ঠান অনুষ্ঠিত হয়। সন্ধিয়া অঞ্চলৰ বয়োজ্যেষ্ঠ মহিলা হীৰা বৰাই বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পাছতে বৰবায়ন বগাই শইকীয়াই তেওঁৰ সহযোগীৰ সৈতে গন্ধবাদন অনুষ্ঠান পৰিচালনা কৰে। দ্বিতীয় দিনা পুৱা গায়ন-বায়নৰ দ্বাৰা প্ৰাতঃ কীৰ্ত্তন কৰা হয়। ইয়াৰ পিছতে ধৰ্মধ্বজা উত্তোলন কৰে সমিতিৰ সভাপতি কুলেন বৰাই। চয়ন-কীৰ্তন যাত্ৰাৰ শুভাৰম্ভ কৰে প্ৰবীণ সুত্ৰধাৰ বলীৰাম কলিতাই। ৰাস মহোৎসৱৰ অনুষ্ঠানত অমৃতকণ্ঠ জুবিন গাৰ্গ, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ নাগৰিক লক্ষী শইকীয়াই। ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট নাগৰিক দেউৰাম সুতে। নিশা ৰজাভেটি মুকলি মঞ্চত কেলিগোপাল ৰাস ভাওনা পৰিৱেশন কৰা হয়। মঞ্চ উদ্বোধন কৰে দুলাল ভূঞাই। উদ্বোধকৰ লগতে বৰবায়ন বগাই শইকীয়া , বলীৰাম কলিতা, পাখিমৰীয়া-জামগুৰি গাঁও পঞ্চায়তৰ সভানেত্ৰী সংগীতা ভূঞা, দেওধৰ গাঁও পঞ্চায়তৰ সভাপতি ৰক্তিম বৰাকে ধৰি কেবাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।




Janasanyog RO no 2983/25/14-November-25

# নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ত শিক্ষাৰ্থীৰে শিক্ষাবিদ পৰেশ বৈশ্যৰ মত-বিনিময়



**গুৱাহাটী ঃ** যোৱা ৩ নৱেম্বৰত বিশিষ্ট শিক্ষাবিদ, লেখক- সাংবাদিক পৰেশ বৈশ্যই নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে অসমীয়া ভাষা-সাহিত্য বিষয়ক এক মত-বিনিময় অনুষ্ঠানত ভাগ লয়। শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰি বৈশ্যই কয় যে ভাষা এটা বিজ্ঞানসন্মত ভাৱে নিশিকিলে তাৰ ঐতিহ্য আৰু কালিকা উপলব্ধি কৰিব নোৱাৰি। তেওঁ কয় যে অসমীয়া ভাষাটো ভাৰতীয় ভাষাসমূহৰ ভিতৰত এক সমৃদ্ধিশালী ভাষা। ইয়াৰ উৎপত্তি, বিকাশ আৰু আধুনিক যুগত ইয়াৰ উপযোগিতা সম্পৰ্কে তেখেতে বহলাই ব্যাখ্যা কৰে। তেওঁ সাম্প্ৰতিক সময়ত শিক্ষাৰ্থীসকলৰ জীৱন-জীৱিকা অৰ্জনত অসমীয়া ভাষাক মূল বিষয় হিচাপে অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীৰ বাবে থকা প্ৰভূত সুবিধাৰ কথাও উল্লেখ কৰে। শিক্ষাবিদ গৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক নিখুতভাৱে ভাষা শিক্ষাৰ কৌশলসমূহ আয়ত্ত কৰিবলৈ আহ্বান জনায়। ছাত্ৰাৱস্থাৰ পৰাই শিক্ষাৰ্থীসকলক সাহিত্য চৰ্চাৰ আখৰা কৰিবলৈ তেওঁ আহ্বান জনায়। অসমীয়া ভাষাৰ ছাত্ৰ-ছাত্ৰীসকলে আন ভাষাৰ সাহিত্য অসমীয়া ভাষালৈ আৰু সমান্তৰালভাৱে অসমীয়া ভাষাৰ উৎকৃষ্ট সাহিত্য সম্ভাৰক ইংৰাজী বা আন ভাৰতীয় ভাষাত অনুবাদৰ অনুশীলন কৰাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰী সকলক সময়ৰ সদ্ব্যৱহাৰ কৰি নিজকে সৃষ্টিশীল আৰু গৱেষণাধৰ্মী কামত আত্মনিয়োগ কৰিবলৈও পৰামৰ্শ দিয়ে। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° অৰবিন্দ ৰাজখোৱাও উপস্থিত থাকে। এই অনুষ্ঠানতেই বৈশ্যক বিভাগটো তৰফৰ পৰা ফুলাম গামোচাৰে আদৰণি জনায়। পাছত বৈশ্যই বিশ্ববিদ্যালয়খনৰ প্ৰকাশন বিভাগটোও পৰিদৰ্শন কৰে। বিশ্ববিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে প্ৰতি মাহে ডেৰশ কপিকৈ সাতসৰী আৰু গৰীয়সী আলোচনী কিনে বুলি জানি তেওঁ সন্তোষ প্ৰকাশ কৰে। সামৰণিত বৈশ্যই বিশ্ববিদ্যালয়খনৰ অসমীয়া বিভাগটোৰে কৰি অহা বৌদ্ধিক কামসমূহৰ কথা জানি অভিভূত হৈ পৰে। সেইদিনাই বৈশ্যই উত্তৰ লক্ষীমপুৰৰ বসন্তলতা বিশ্বেশ্বৰ চাংকাকতি শংকৰদেৱ শিশু ! বিদ্যা নিকেতনৰ ছাত্ৰী-ছাত্ৰী সকলৰ সৈতেও এক শৈক্ষিক আলাপত ভাগ লয়। অনুষ্ঠানত বৈশ্যই সামাজিক মাধ্যমক সদ্ব্যৱহাৰ কৰি অহা বিদ্যালয়খনৰ ছাত্ৰী যশস্যা নন্দিনী শৰ্মাক উৎসাহিত কৰিবলৈ গ্ৰন্থৰ টোপোলা উপহাৰ দিয়ে। তেওঁ আন ছাত্ৰ-ছাত্ৰীকো ছাত্ৰীগৰাকীৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত বিদ্যালয়খনক পৰেশ বৈশ্য ফাউণ্ডেচনৰ পোহৰ বিদ্যালয় হিচাপে স্বীকৃতি পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰধান আচাৰ্য প্ৰদীপ হাজৰিকা আৰু আন আচাৰ্য-আচাৰ্যাসকলে শিক্ষাবিদ পৰেশ বৈশ্যই বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীক দিয়া মাৰ্গদৰ্শনৰ শলাগ লয় আৰু ভৱিষ্যতেও তেখেতৰ সহযোগিতা কামনা কৰে। সেইদিনাই বৈশ্যই বিশ্বনাথ জিলাৰ গহপুৰত অৱস্থিত আগশাৰীৰ ব্যক্তিগত খণ্ডৰ আৱাসিক বিদ্যালয় শংকৰদেৱ শিক্ষা নিকেতনৰ বিজ্ঞান শাখাৰ একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতো দীঘলীয়া শৈক্ষিক আলাপ কৰে। অনাগত দিনত জীৱন জীৱিকালৈ আহিবপৰা প্ৰত্যাহ্বানসমূহক মোকাবিলা কৰিবলৈ কিদৰে নিজৰ বিদ্যায়তনিক যাত্ৰা আগবঢ়াই নিব লাগিব সেই বিষয়ে বহলাই ব্যাখ্যা কৰে। তেওঁ অনাগত দিনত কোনবোৰ বিষয়ৰ চাহিদা বাঢ়িব সেই বিষয়েও আলোচনা কৰে। পাছত তেওঁ বিদ্যালয়খনত থকা দক্ষতা বিকাশৰ বিভিন্ন ক্ষেত্ৰসমূহ পৰিদৰ্শন আপ্লুত হয়।

# জুবিন গাৰ্গৰ জন্মদিনত পুতলা নাচৰ কাৰ্যসূচী

**গুৱাহাটী ঃ** অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী, চলচ্চিত্ৰ নিৰ্মাতা প্ৰয়াত জুবিন গাৰ্গৰ জন্মদিনটো 'আত্মভ অসম'ৰ উদ্যোগত আৰু শিক্ষাৰ উত্তৰণৰ হকে গঠিত ন্যাস পৰেশ বৈশ্য ফাউণ্ডেচনৰ সহযোগত অহা ১৮ নৱেম্বৰত গুৱাহাটীৰ বৰাগাঁৱত অৱস্থিত বীণাপাণি একাডেমীত উদ্‌যাপন কৰা হ'ব। সেইদিনা জুবিন গাৰ্গৰ জীৱন আৰু সংগীত সাধনাৰ বিভিন্ন দিশ পুতলা নাচৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক প্ৰদৰ্শন কৰা হ'ব। অনুষ্ঠানত শিক্ষাবিদ পৰেশ বৈশ্যই জুবিন গাৰ্গৰ জীৱন আৰু কৰ্মৰাজি সম্পৰ্কে এটি বিশেষ বক্তৃতা প্ৰদান কৰিব। অনুষ্ঠানত জুবিন গাৰ্গৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান উন্মোচন কৰিব বিদ্যালয়খনৰ অধ্যক্ষ চম্পক কলিতাই। পুতলা নাচৰ যশস্বী শিল্পী গীতিমা দাসৰ দলে পুতলা নাচৰ বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰিব।








# জয় জুবিন দা, উই ওৱাণ্ট জ্যাষ্টিচ, জয় আই অসম ঃ মৰ্মিতা মিত্ৰ

## উদুলি-মুদূলি বস্ত্ৰনগৰী শুৱালকুছিৰ ৰাসস্থলী



**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** কৃষ্ণ প্ৰেমৰ অনাবিল আন্দৰৰ স্বাক্ষৰ ভগৱান শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ। তাৰ সমান্তৰালভাৱে অগণন ভক্তৰ সমাগমৰে বস্ত্ৰনগৰী শুৱালকুছিৰ ৰাস মহোৎসৱস্থলী ৰূপান্তৰিত হৈছে জুবিন স্থলীলৈ। ৰাস মহোৎসৱৰ মৃন্ময় মূৰ্তিৰ ষ্টলসমূহৰ সন্মুখত দৰ্শনাৰ্থীয়ে যিধৰণে আধ্যাত্মিকভাৱেৰে সেৱা কৰা পৰিলক্ষিত হৈছে ঠিক তেনেদৰে শুৱালকুছি ৰাস মহোৎসৱত অস্থায়ী ৰূপে স্থাপন কৰা জুবিনৰ শ্ৰদ্ধাঞ্জলিৰ স্থানতো তদ্ৰুপ ভিৰ পৰিলক্ষিত হৈছে। ৯ নৱেম্বৰত ৰাস মহোৎসৱৰ পঞ্চম দিনাৰ জুবিন গাৰ্গ সোঁৱৰণী সাংস্কৃতিক মঞ্চত গীত পৰিৱেশন কৰিবলৈ আহে সংগীত জগতৰ জনপ্ৰিয় কণ্ঠশিল্পী মৰ্মিতা মিত্ৰই। সঙ্গীত পৰিৱেশন কৰাৰ আগতে ৰাস মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি ৰাজীৱ দাস আৰু সাংস্কৃতিক উপ-সমিতিৰ সভাপতি দীপজ্যোতি বৈশ্যই সম্বৰ্ধনা জ্ঞাপন কৰে। নিশা প্ৰায় ১১ বজাৰ পৰা অনুষ্ঠিত হোৱা মৰ্মিতা মিত্ৰৰ সংগীতানুষ্ঠানত জুবিন গাৰ্গৰ গীতৰে জীপাল কৰি তোলে ৰাস মহোৎসৱৰ পৰিৱেশ। হেজাৰ হেজাৰ জুবিন অনুৰাগীৰ সন্মুখত জুবিনৰ গীত পৰিৱেশন কৰি আবেগিক হৈ পৰে জুবিনক নিজৰ জীৱনৰ আদৰ্শ হিচাপে লোৱা কণ্ঠশিল্পী গৰাকী। দৰ্শকৰ জুবিনৰ প্ৰতি শ্ৰদ্ধা, মৰম আনহাতে জুবিনৰ আলোকচিত্ৰ বুকুত সাৱতি মৰ্মিতা মিত্ৰৰ দ্বাৰা কেৱল জুবিনৰ গীত পৰিৱেশনে এক প্ৰকাৰ জুবিনময় হৈ পৰিছিল সকলো। দুপৰ নিশালৈ জুবিনৰ গীত পৰিৱেশন কৰি কণ্ঠশিল্পী গৰাকীয়ে জুবিনৰ অনুৰাগীৰ সৈতে 'জয় জুবিন দা, উই ওৱাণ্ট জ্যাষ্টিচ, জয় আই অসম' ধ্বনিৰে কঁপাই তোলে ৰাস মহোৎসৱ স্থলী। প্ৰায় ৪২টা মৃন্ময় মূৰ্তিৰ ষ্টল, ভিক্টৰীয়া টেম্পল আৰ্হিৰ মূল মণ্ডপৰ তোৰণ, মিনা বজাৰ, বস্ত্ৰমেলা, গ্ৰন্থ বিপণী, বিভিন্ন দোকান পোহাৰ, বিদ্যুৎ চালিত প্ৰৱেশ তোৰণেৰে আটক ধুনীয়া সজাই তোলা পৰিলক্ষিত হৈছে শুৱালকুছি ৰাস মহোৎসৱস্থলী।


স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,
সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা